**ৰহস্যজনকভাৱে মৃত্যু বিজেপি নেতাৰ**

**ই-সংবাদ বিশেষ, ৬ জানুৱাৰীঃ** গুৱাহাটীৰ নাগৰিকৰ জীৱন-সম্পত্তিৰ সুৰক্ষা নোহোৱা বুলি অভিযোগ ৫ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

TUESDAY, JANUARY 07, 2025 ■ মঙলবাৰ, ২২ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩ Guwahati, Assam ।। মূল্যঃ এটকা



গধূলি পৰত মহানগৰীৰ নিচেই সমীপত এইদৰে ধূলি উৰুৱাই ঘৰমুৱা এজাক ম'হ, ফটোঃ প্ৰফুল্ল কুমাৰ দাস

### অব্যাহত আছে উদ্ধাৰ অভিযান

## উমৰাংছ'ৰ কয়লা খনিত আৱদ্ধ বহু শ্ৰমিক




**ই-সংবাদ, ৬ জানুৱাৰীঃ** পুনৰ কয়লা খনিৰ ভিতৰত আৱদ্ধ হৈ পৰিল শ্ৰমিক। এইবাৰ এই ঘটনা সংঘটিত হৈছে অসমৰ ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ এটা ৩০০ ফুট দ ২ পৃষ্ঠাত

### ৩খন ৰাজ্যত শিশুসহ ৫ জনকৈ লোক আক্ৰান্ত

# ভাৰত আহি পালে এইচএমপিভি ভাইৰাছ

### শংকিত নহ'বলৈ আহ্বান স্বাস্থ্য মন্ত্ৰণালয়ৰ



**বাংগালুৰু, ৬ জানুৱাৰীঃ** চীনত আতংকৰ সৃষ্টি কৰা মানৱ মেটানিউমোভাইৰাছ চমুকৈ এইচএমপিভিত আক্ৰান্ত লোকৰ সংখ্যা ভাৰতত ৫ জন হৈ পৰাৰ ২ পৃষ্ঠাত চাওক

## মাওবাদীৰ আক্ৰমণত পুনৰ ৰক্তাক্ত হ'ল ছত্তীশগড়, শ্বহীদ ৯ নিৰাপত্তাৰক্ষী

**ৰায়পুৰ, ৬ জানুৱাৰীঃ** মাত্ৰ কিছুদিন পূৰ্বে দেশত মাওবাদী কাৰ্য্যকলাপ হ্ৰাস পোৱা বুলি দাবী কৰিছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে! কিন্তু গৃহমন্ত্ৰীৰ এই মন্তব্যক মিথ্যা প্ৰমাণিত কৰি নতুন বছৰৰ আৰম্ভণিতে পুনৰ এবাৰ ৰক্তাক্ত হৈ পৰিল ছত্তীশগড়। ৰাজ্যখনৰ বিজাপুৰ জিলাত সোমবাৰে ৩ পৃষ্ঠাত



বাঘৰ আতংকৰ পিছত এইদৰে নিৰাপত্তাৰক্ষীৰ নিৰাপত্তাৰে কলিয়াবৰত গুণোৎসৱ

## জামিন পালে আচাৰ্য গোচৰৰ ৫ অভিযুক্তই

**ই-সংবাদ, ৬ জানুৱাৰীঃ** ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰা লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ শংকৰদেৱ শিশু নিকেতনৰ ৪ পৃষ্ঠাত চাওক

## সাত বন্ধুক জেললৈ প্ৰেৰণ

**ই-সংবাদ, মাজুলী, ৬ জানুৱাৰীঃ** বনভোজ খাবলৈ গৈ যোৱা এসপ্তাহে সন্ধানহীন হৈ থকা মাজুলীৰ বাঘৰ শেষাংশ ৬ পৃষ্ঠাত

### সংবাদমেলত কৰিলে ঘোষণা

## জাষ্টিন ট্ৰুডোৰ অৱশেষত পদত্যাগ



**অটোৱা, ৬ জানুৱাৰীঃ** অৱশেষত পদত্যাগ ঘোষণা কৰিলে কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোৱে। এই দাবী কৰিছে দেশখনৰ বাতৰি কাকত ২ পৃষ্ঠাত

## চীনলৈ ভয় কৰে বিজেপি চৰকাৰেঃ সাংসদ প্ৰদ্যুৎ

**ই-সংবাদ, ৬ জানুৱাৰীঃ** চীনৰ বিৰুদ্ধে বিজেপি দল আৰু চৰকাৰে মাত মাতিব নোৱাৰে বুলি কৈ বিজেপিয়ে চীনৰ বিৰুদ্ধে নৰম স্থিতি ৪ পৃষ্ঠাত চাওক


## দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী মাৰ্লেনাৰ চকুত চকুপানী!

### বিজেপি নেতাৰ আপত্তিকৰ মন্তব্য

**নতুন দিল্লী, ৬ জানুৱাৰীঃ** বিতৰ্কৰ পিছত পুনৰ বিতৰ্ক। বিধানসভা নিৰ্বাচনৰ দিন চমু চপাৰ লগে লগে যেন দিল্লীৰ ৰাজনীতিত বিতৰ্কৰ ধুমুহা বলাইছে বিজেপি শেষাংশ ৩ পৃষ্ঠাত

### মুম্বাইত সংবাদমেলত চিএমৰ বিশেষ আহ্বান

## 'বাংলাদেশীক ভাৰতীয় উদ্যোগত কাম দিব নালাগে'



**ই-সংবাদ, ৬ জানুৱাৰীঃ** অসমত অনুষ্ঠিত হ'বলগীয়া এডভান্টেজ আছাম ২.০ত অংশগ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ দিবলৈ শেষাংশ ৩ পৃষ্ঠাত

## ৰাজ্যৰ ১১ জিলাত আৰম্ভ গুণোৎসৱ

**ই-সংবাদ, ৬ জানুৱাৰীঃ** আজিৰে পৰা ৰাজ্যৰ ১১ খন জিলাৰ ১৬,০৫৬ খন বিদ্যালয়ত আৰম্ভ হৈছে প্ৰথম পৰ্যায়ৰ গুণোৎসৱ। প্ৰথম পৰ্যায়ত শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছৃ'ৰ কয়লা খনিত আৱদ্ধ বহু

ৰেট হোল মাইনত। এই ৰেট হোল মাইনটোত ১৮ জন শ্ৰমিক আৱদ্ধ হৈ পৰাৰ আশংকা কৰা হৈছে। কয়লা খনিত পানী প্ৰৱেশ কৰাৰ ফলতেই আৱদ্ধ হৈ পৰে কৰ্মৰত শ্ৰমিক কেইজন। জানিব পৰা মতে, অবৈধ খনিটোত প্ৰায় ১০০ ফুট গভীৰতালৈকে পানী প্ৰৱেশ কৰিছে। আৰক্ষী আৰু উদ্ধাৰকাৰী দলে ঘটনাস্থলীত উপস্থিত হৈ দুটা মটৰ পাম্প ব্যৱহাৰ কৰি পানী নিষ্কাশনৰ চেষ্টা চলাইছে। একে সময়তে মেঘালয় সীমান্তৰ নিকটৱৰ্তী দুৰ্গম অঞ্চলটোলৈ ৰাওনা হৈছে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (এছডিআৰএফ) আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (এনডিআৰএফ)ৰ দল। ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয় যে শ্ৰমিকসকলৰ উদ্ধাৰ অভিযানৰ বাবে ৰাজ্য চৰকাৰে সেনাৰ সহায় বিচাৰিছে। ছ'চিয়েল মিডিয়া এক্সত কৰা পোষ্টত মুখ্যমন্ত্ৰীয়ে কয়, "উদ্ধাৰ অভিযানৰ বাবে আমি সেনাৰ সহায় বিচাৰিছো। এছডিআৰএফ আৰু এনডিআৰএফৰ দলসমূহো ঘটনাস্থলী অভিমুখে ৰাওনা হৈছে।" প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে ২০১৮ চনত মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰৰ অবৈধ কয়লা খনিত পানী প্ৰৱেশ কৰাৰ ফলত ভিতৰত আৱদ্ধ হৈ পৰিছিল ১৫ জন শ্ৰমিক। পৰৱৰ্তী সময়ত উদ্ধাৰকাৰী দলে খনিটোৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল কেৱল দুজন শ্ৰমিকৰ মৃতদেহ। ২০১৯ চনত মেঘালয় চৰকাৰক অবৈধ কয়লা খননৰ বাবে ৰাষ্ট্ৰীয় পৰিৱেশ ন্যায়াধিকৰণে ১০০ কোটি টকাৰ জৰিমনা বিহে। লক্ষণীয় যে, ৰাজ্যখনত থকা ২৪ হাজাৰ খনিৰ অধিকাংশই হৈছে অবৈধ কয়লা খনি। আৱদ্ধসকলৰ ভিতৰত ৯ শ্ৰমিকৰ নাম ঠিকনা উদ্ধাৰ হৈছে। নেপালৰ উদয়পুৰৰ গংগা বাহাদুৰ শ্ৰেষ্ঠ (৩৮), দৰং জিলাৰ হুছেইন আলী (৩০), জাকিৰ হুছেইন (৩৮), মোস্তাফা শ্বেখ (৪৪), কোকৰাঝাৰৰ চাৰপা বৰ্মন (৪৬), সুখী মোহন ৰায় (৫৭) ,পশ্চিমবংগৰ জলপাইগুৰিৰ সঞ্জীৎ সৰকাৰ (৩৫) ডিমা হাচাওৰ লিজান মগৰ (২৬) শোণিতপুৰৰ শৰৎ গয়াৰী (৩৭)। বাকীসকলৰ নাম ঠিকনা এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘটনাৰ উচিত তদন্তৰ দাবী উত্থাপন কৰিছে। জাতীয় সংগঠনটোৱে কয় যে শ্ৰমিকসকলৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে খননৰ অনুমতি আছিল নে আৰু খনন নীতিগতভাৱে হৈছিল নে নাই তাৰো তদন্ত কৰা হওক। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে শ্ৰমিকৰ সংখ্যা ২৭গৰাকী হ'ব পাৰে বুলি জানিবলৈ দিয়ে। লুৰীণজ্যোতি গগৈয়ে কয় যে উমৰাংছ'ৰ তিনি কিলোমিটাৰ কয়লাখনিৰ এটা কোঁৱেৰীত ২৭ জনকৈ শ্ৰমিক আবদ্ধ হোৱা কথাটোৱে উদ্বিগ্ন কৰি তুলিছে। আবদ্ধ হৈ থকা শ্ৰমিকসকল সুস্থ শৰীৰে উদ্ধাৰ হওক তাকেই কামনা কৰিছো। চৰকাৰে অতি ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান চলাই তেওঁলোকৰ জীৱন ৰক্ষা কৰিব লাগে। চৰকাৰে এই শ্ৰমিকসকলৰ উচিত নিৰাপত্তাৰ ব্যৱস্থা কৰি জীৱনৰ নিৰাপত্তা প্ৰদান কৰিব লাগে আৰু তেওঁলোকৰ শ্ৰমৰ মৰ্যাদাৰ প্ৰতি মনোযোগী আৰু শ্ৰদ্ধাশীল হ'ব লাগে। লগতে, এই কয়লাখনন বৈধ আছিলনে নাই আৰু খনন নীতিগতভাৱে হৈছিলনে নাই তাৰো তদন্ত কৰিবলৈ আমি মুখ্যমন্ত্ৰীক দাবী জনাইছো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰত আহি পালে এইচএমপিভি ভাইৰাছ

খবৰ পোৱা গৈছে। বাংগালুৰুত ধৰা পৰে এই সংক্ৰমণৰ প্ৰথমটো সংক্ৰমণৰ ঘটনা। বাংগালুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত এটি ৮ মহীয়া শিশুৰ শৰীৰত ধৰা পৰিছে এই ভাইৰাছৰ উপস্থিতি। শিশুটিক চিকিৎসালয়ত ভৰ্তি কৰি শৰীৰৰ নমুনা পৰীক্ষা কৰা হয়, য'ত এইচএমপিভিৰ উপস্থিতি ধৰা পৰে। কিন্তু ভাৰত চৰকাৰৰ তথ্য অনুসৰি বহু বছৰৰ আগতেই দেশত ধৰা পৰিছিল এই ভাইৰাছ। এই পৰ্যন্ত উক্ত ভাইৰাছত আক্ৰান্ত লোকৰ সংখ্যা ভাৰতত ৫জনলৈ বৃদ্ধি পোৱা দেখা গৈছে। ইয়াৰে দুটা কৰ্ণাটকত, এটা গুজৰাটত আৰু আন দুটা তামিলনাডুত ধৰা পৰিছে। বিশেষজ্ঞসকলৰ মতে এইচ এম পি ভি সাধাৰণতে ১১ বছৰৰ তলৰ শিশুৰ ক্ষেত্ৰত দেখা যায়। বিশেষকৈ জ্বৰত আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত প্ৰায় ০.৭ শতাংশই এই ভাইৰাছ কঢ়িয়াই লৈ ফুৰে। কিন্তু এই ভাইৰাছৰ কোনটো প্ৰজাতি শেহতীয়াকৈ বেছিকৈ বিয়পি পৰিছে সেয়া এতিয়াও নিশ্চিত হোৱা নাই। কৰ্ণাটকৰ স্বাস্থ্য বিভাগে কয় যে ব্যক্তিগত চিকিৎসালয়ৰ পৰা প্ৰতিবেদন পোৱাৰ পিছতো এইচ এম পি ভিৰ অস্তিত্বত কোনো সন্দেহ নাই যদিও কোনটো ভেৰিয়েণ্ট পোৱা গৈছে সেয়া এতিয়াও জানিব পৰা হোৱা নাই। অন্যহাতে, দেওবাৰে কেৰালা চৰকাৰে এইচ এম পি ভি ভাইৰাছৰ সন্দৰ্ভত জনসাধাৰণক সতৰ্কবাণী জাৰি কৰি আতংকিত নহ'বলৈ আৰু ঘৰৰ বাহিৰলৈ ওলাই যোৱাৰ সময়ত মাস্ক পৰিধান কৰিবলৈ পৰামৰ্শ দিয়ে। একে সময়তে গৰ্ভৱতী মহিলা আৰু বৃদ্ধসকলক বিশেষ সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। তেলেংগানাতো একেধৰণৰ সতৰ্কবাণী জাৰি কৰা হৈছে। অৱশ্যে স্বাস্থ্য মন্ত্ৰালয়ে নিশ্চিত কৰিছে যে আতংকিত হ'বলগীয়া একো নাই যদিও পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ নিয়ম মানি চলাটো গুৰুত্বপূৰ্ণ। এই ভাইৰাছ সন্দৰ্ভত চৰকাৰে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাসমূহৰ প্ৰতিবেদনসমূহ নিৰীক্ষণ কৰি আছে আৰু সৃষ্টি হ'ব পৰা যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰস্তুতি চলাই থকা হৈছে। অনাহকত লোকসকলে শংকিত হৈ পৰাৰ কোনো কাৰণ নাই বুলিও কৈছে স্বাস্থ্য বিভাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাষ্টিন ট্ৰুডোৰ অৱশেষত পদত্যাগ

'দ্য গ্ল'ব এণ্ড মেইল'য়ে। বাতৰি অনুসৰি, এক জৰুৰীকালীন কেবিনেট বৈঠকৰ পিছতে ট্ৰুডোৱে সংবাদমেলৰ জৰিয়তে পদত্যাগৰ সিদ্ধান্তৰ কথা ঘোষণা কৰে। সংবাদমেলত ট্ৰুডোৱে কয় যে তেওঁ পৰিয়ালৰ সদস্যৰ সৈতে দীৰ্ঘদিনীয়া আলোচনাৰ অন্তত পদত্যাগ কৰাৰ সিদ্ধান্ত লৈছে। তেওঁৰ সফলতাত পৰিয়ালৰ ভূমিকা আছে। যোৱা নিশা আহাৰ গ্ৰহণৰ সময়ত তেওঁ নিজৰ সন্তানক পদত্যাগ কৰাৰ কথা ঘোষণা কৰে। একাধিক সূত্ৰই প্ৰকাশ কৰা অনুসৰি ট্ৰুডোৱে কানাডাৰ লিবাৰেল পাৰ্টিৰ নেতা হিচাপেও পদত্যাগ কৰিব পাৰে। অৱশ্যে এই সন্দৰ্ভত এতিয়াও প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে কোনো মন্তব্য কৰা নাই। উল্লেখ্য যে, অহা অক্টোবৰ মাহত কানাডাত প্ৰধানমন্ত্ৰীৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু তাৰ পূৰ্বে ট্ৰুডো দেশ-বিদেশত তীব্ৰ হেঁচাত পৰিছে। ২০১৩ চনত লিবাৰেল পাৰ্টিৰ নেতা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা ট্ৰুডোৱে ৯ বছৰ ধৰি ক্ষমতাত আছে। কিন্তু শেহতীয়াকৈ দেশখনত ট্ৰুডোৰ জনপ্ৰিয়তা হ্ৰাস পোৱাৰ লগতে তেওঁৰ একাধিক সিদ্ধান্তক লৈ দলৰ ভিতৰতো ক্ষোভৰ উকমুকনি উঠা বুলি জানিব পৰা গৈছে। ২০২৩ চনৰ নিৰ্বাচনী সমীক্ষা অনুসৰি, কানাডাৰ জনতাৰ সমৰ্থন হেৰুৱাইছে জাষ্টিন ট্ৰুডোয়ে, যাৰ ফলত পৰৱৰ্তী নিৰ্বাচনত তেওঁ ক্ষমতাচ্যুত হোৱাটো একপ্ৰকাৰ নিশ্চিত বুলি ধৰা হৈছে। ইফালে কানাডাৰ উপ-প্ৰধানমন্ত্ৰী তথা বিত্তমন্ত্ৰী ক্ৰিষ্টিয়া ফ্ৰীলেণ্ডৰ পদত্যাগ আৰু কেবিনেটৰ সালসলনিয়েও ট্ৰুডোৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। কিছুদিন পূৰ্বে প্ৰকাশিত এক প্ৰতিবেদন অনুসৰি অন্টাৰিঅ' প্ৰদেশৰ ৭৫ জন সাংসদৰ ভিতৰত ৫১ জন সাংসদে ট্ৰুডোক অপসাৰণৰ পক্ষত ভোটদান কৰে। অন্যহাতে ভাৰতৰ সৈতে কানাডাৰ সম্পৰ্কৰ অৱনতি আৰু আন্তঃৰাষ্ট্ৰীয় হেঁচাত ট্ৰুডো চৰকাৰৰ বাবেও অতিৰিক্ত প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে, যাৰ ফলত তেওঁ পদত্যাগ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। কানাডাৰ ৰাজধানী অট'ৱাত অনুষ্ঠিত সংবাদমেলত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ট্ৰুডোৱে কয় যে কেইবামাহো ধৰি বাধাৰ বাবে সংসদ সম্পূৰ্ণৰূপে অচল হৈ আছে। একে সময়তে উৎপাদনশীলতাৰ ঘাটি কেইবামাহো ধৰি চলি থাকিল। তেওঁ কয়, এতিয়াই নতুনকৈ আৰম্ভ কৰাৰ সময়। কানাডাৰ ৰাজনীতিৰ উত্তাপ হ্ৰাস কৰাৰ বাবে ইয়াৰ প্ৰয়োজন আছিল। এতিয়া ট্ৰুডোৰ উত্তৰাধিকাৰী কোন হ'ব পাৰে সেই লৈ আলোচনা হৈছে। এই তালিকাত আছে প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা ট্ৰুডো চৰকাৰৰ বিত্তমন্ত্ৰী ক্ৰীষ্টিয়া ফ্ৰীলেণ্ড আৰু কেন্দ্ৰীয় বেংকৰ প্ৰাক্তন বিষয়া মাৰ্ক কাৰ্নীৰ নাম। ইফালে, সংসদৰ অধিৱেশন ২৪ মাৰ্চলৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰা হৈছে। তেতিয়ালৈকে লিবাৰেল পাৰ্টিৰ নতুন নেতা নিৰ্বাচিত হ'ব বুলি কানাডা চৰকাৰৰ এটি সূত্ৰই জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী মাৰ্লেনাৰ

নেতা ৰমেশ বিধুৰীয়ে। কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধীক লৈ অপমানজনক মন্তব্যৰ পিছত এইবাৰ আন এগৰাকী মহিলাক লৈ অপমানজনক মন্তব্য ৰমেশ বিধুৰীৰ মুখত। দেওবাৰে ৰোহিনীৰ এখন ৰাজহুৱা সভাত দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীৰ পিতৃৰ পৰিচয়ক লৈ প্ৰশ্ন উত্থাপন কৰি তেওঁৰ চৰিত্ৰ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰে বিজেপি নেতা ৰমেশ বিধুৰীয়ে। ইয়াৰ পিছতে বিধুৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে প্ৰতিটো বিৰোধী দল। সোমবাৰে বিধুৰীৰ মন্তব্যৰ প্ৰত্যুত্তৰ দিবলৈ গৈ আবেগিক হৈ পৰে মুখ্যমন্ত্ৰী আতিশী। অশ্ৰুসিক্ত নয়নেৰে তেওঁ কয়, "মই ৰমেশ বিধুৰীক ক'ব বিচাৰো যে মোৰ দেউতা গোটেই জীৱন শিক্ষকতা কৰি আহিছে। তেওঁ দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ হাজাৰ হাজাৰ শিশুক পঢ়ুৱাইছে। তেওঁৰ বয়স এতিয়া ৮০ বছৰ। তেওঁ গুৰুতৰভাৱে অসুস্থ। সহায় অবিহনে এখোজো তেওঁ এতিয়া দিব নোৱাৰে। আপুনি (ৰমেশ বিধুৰী) নিৰ্বাচনত জয়ী হ'বলৈ ইমান লেতেৰা কাম কৰিব পাৰেনে? ইমান তললৈ যাব পাৰেনে?" আতিশীয়ে লগতে কয়, "এই দেশৰ ৰাজনীতি ইমান তললৈ যাব পাৰে বুলি মই কেতিয়াও ভবা নাছিলো।" উল্লেখ্য যে, আতিশীক আক্ৰমণ কৰি দেওবাৰে বিধুৰীয়ে কৈছিল, "তেওঁ (আতিশী) মাৰ্লেনাৰ পৰা সিং হৈ পৰিছে। নাম সলনি কৰিছে। দুৰ্নীতিগ্ৰস্ত কংগ্ৰেছৰ লগত নিজৰ সন্তানক যাবলৈ নিদিয়ে বুলি প্ৰতিজ্ঞা কৰিছিল কংগ্ৰেছে। কিন্তু মাৰ্লেনাৰ দেউতাক সলনি হ'ল। আগতে তেওঁ মাৰ্লেনা আছিল, এতিয়া তেওঁ সিং হৈ পৰিছে। এয়াই তেওঁলোকৰ চৰিত্ৰ।" প্ৰসংগক্ৰমে মাৰ্ক্সবাদী পিতৃয়ে মাৰ্ক্স আৰু লেনিনৰ সংমিশ্ৰণেৰে আতিশীৰ উপাধি মাৰ্লেনা ৰাখিছিল। কিন্তু ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধীয়ে তেওঁক খ্ৰীষ্টান বুলি প্ৰচাৰ চলোৱাত আতিশীয়ে নিজৰ উপাধিটো বাদ দি কেৱল নামটো ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। পৰৱৰ্তী সময়ত তেওঁ নিজকে আতিশী সিং বুলিও পৰিচয় দিয়ে। যাৰ বাবে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক আক্ৰমণৰ লক্ষ্য কৰি লয় বিজেপি নেতা ৰমেশ বিধুৰীয়ে। ইফালে বিজেপিৰ বিৰোধী দলসমূহে এই ঘটনাক তীব্ৰ গৰিহণা দিছে। অৰবিন্দ কেজৰিৱালে ছ'চিয়েল মিডিয়াত পোষ্ট কৰি কয়, 'বিজেপি নেতাসকলে নিৰ্লজ্জতাৰ সকলো সীমা অতিক্ৰম কৰিছে। দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী জীক গালি-গালাজ কৰিছে বিজেপি নেতাই। এগৰাকী মহিলা মুখ্যমন্ত্ৰীৰ অপমান সহ্য নকৰে দিল্লীৰ ৰাইজে। সকলো মহিলাই ইয়াৰ উত্তৰ দিব।'

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাওবাদীৰ আক্ৰমণত পুনৰ ৰক্তাক্ত হ'ল

সোমবাৰে সংঘটিত মাওবাদীৰ আক্ৰমণত প্ৰাণ হেৰুৱাবলগীয়া হয় ডিষ্ট্ৰিক্ট ৰিজাৰ্ভ গাৰ্ডৰ ৯ গৰাকী জোৱান আৰু বাহনৰ চালকে। বিজাপুৰৰ বেদ্ৰে-কুটু পথত সোমবাৰে দিনৰ প্ৰায় ২:১৫ বজাত সংঘটিত হয় এই ঘটনা। বাস্তাৰৰ আই জিৰ উদ্ধৃতি দি সংবাদ সংস্থা এ এন আইয়ে প্ৰকাশ কৰা অনুসৰি, দন্তেৱাড়া, নাৰায়ণপুৰ আৰু বিজাপুৰত মাওবাদীৰ বিৰুদ্ধে যৌথ অভিযানৰ অন্তত ডি আৰ জিৰ দন্তেৱাদা শাখাৰ জোৱানসকলে নিজৰ শিবিৰলৈ উভতি অহাৰ সময়তে নিৰাপত্তা বাহিনীৰ এছ ইউ ভি বাহনলৈ লক্ষ্য কৰি আই ই ডি বিস্ফোৰণ ঘটায় মাওবাদীয়ে। উল্লেখ্য যে, শুকুৰবাৰৰ পৰা বাস্তৰ অঞ্চলত নিৰাপত্তা বাহিনীৰ মাওবাদী বিৰোধী অভিযান আৰম্ভ হয়। এই আক্ৰমণ সেই অভিযানৰ প্ৰতিশোধ আছিল নে নাই সেয়া স্পষ্ট নহয়। যোৱা শনিবাৰৰ পৰা মাওবাদীৰ সৈতে হোৱা বন্দুক যুদ্ধত নিহত হোৱা মাওবাদী সদস্যৰ সংখ্যা পাঁচজনলৈ বৃদ্ধি পাইছে। নিহত মাওবাদীৰ ভিতৰত আছে দুগৰাকী মহিলাও। তদুপৰি এই অভিযানৰ সময়ত ডি আৰ জিৰ হেড কনিষ্টবল ছান্নু কাৰামেও প্ৰাণ হেৰুৱায়। ইফালে এই অভিযানত ব্যৱহৃত এ কে ৪৭ আৰু ছেল্ফ লোডিং ৰাইফলৰ দৰে অটোমেটিক অস্ত্ৰ উদ্ধাৰ কৰা হৈছে বুলি ডি আৰ জিৰ বিষয়াসকলে জানিবলৈ দিয়ে। ঘটনাস্থলীত এতিয়াও অব্যাহত আছে অনুসন্ধান অভিযান। ইফালে, এই ঘটনাক লৈ সমগ্ৰ ছত্তীশগড়তে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ দাবীক লৈয়ো দেখা গৈছে প্ৰতিক্ৰিয়া।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'বাংলাদেশীক ভাৰতীয় উদ্যোগত কাম

গৈ মুম্বাইত দেশৰ বিশিষ্ট উদ্যোগপতিসকলক সাক্ষাতৰ অন্তত বিশেষ আহ্বান জনাইছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। অসমৰ মুখ্যমন্ত্ৰী ড০ শৰ্মাই উদ্যোগপতিসকলক তেওঁলোকৰ উদ্যোগত অবৈধ বাংলাদেশী প্ৰব্ৰজনকাৰীক সংস্থাপন নিদিবলৈ আহ্বান জনায়। আজি মুম্বাইত এখন সংবাদমেল সম্বোধন কৰি ড০ শৰ্মাই কয় যে প্ৰব্ৰজনকাৰীক সংস্থাপন নিদি বাংলাদেশৰ পৰা হৈ অহা অবৈধ প্ৰব্ৰজনত আঘাত কৰাৰ প্ৰয়োজন আছে। সকলো উদ্যোগীয়ে এনে শ্ৰমিক নিয়োগ নকৰাৰ সিদ্ধান্ত ল'ব লাগিব। হিমন্ত বিশ্ব শৰ্মাই কয় যে এতিয়া বাংলাদেশী আহিবলৈ সাহস নকৰে। সদায়েই গ্ৰাউণ্ডত একচন লোৱা হৈছে। কঠোৰতকৈ কঠোৰ সিদ্ধান্ত লৈছো। আমি বিদেশীক গ্ৰেপ্তাৰ নকৰি উভতাই পঠিয়াও। আমি এই কাম ৰাষ্ট্ৰৰ হিতৰ বাবে কৰিছো। অসম, পশ্চিমবংগ, ত্ৰিপুৰা গেটৰ দৰে। মোৰ টুইটাৰ চালে গম পাব। যদি এতিয়াই কঠোৰ হোৱা নহয় তেন্তে ৩০ বছৰ পিছত বাংলাদেশীৰে ভাৰত ভৰি পৰিব। লগতে আমাৰে কিছুমান লোকে বাংলাদেশৰ পৰা শ্ৰমিক আনে বুলি অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শেহতীয়াকৈ বাংলাদেশৰ বস্ত্ৰ উদ্যোগ বিধ্বস্ত হৈছে। বাংলাদেশৰ পৰা সস্তীয়া শ্ৰমিক উপলব্ধ হোৱাত মধ্যস্থতাকাৰীৰ যোগে শ্ৰমিক অনা হয়। যেতিয়া তেওঁলোকক ধৰো তেতিয়াই কোনোৱে কয় যে কোয়েম্বাটুৰ যাম। কয় যে আমি আগতে বাংলাদেশত বস্ত্ৰ উদ্যোগত কাম কৰিছিলো। এতিয়া বন্ধ হোৱাত আমাক ইয়ালৈ মাতি অনা হৈছে। বাংলাদেশীয়ে ভাৰতত সংস্থাপন পালে তেওঁলোকে আহি থাকিব। তাৰ বাবে আমাৰ ইয়াৰ ব্যৱসায়ী, উদ্যোগপতিসকলে ৰাষ্ট্ৰৰ স্বাৰ্থত বাংলাদেশক কাম নিদিও বুলি সংকল্প ল'লে বাংলাদেশী আহিবলৈ এৰি দিব। আগন্তুক এডভাণ্টেজ আসাম ২.০ত বিনিয়োগ সন্মিলনত কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰতিষ্ঠানসমূহৰ পৰা ১ লাখ কোটি টকাৰ বিনিয়োগৰ আশা কৰিছে মুখ্যমন্ত্ৰীয়ে। বিগত তিনিটা দিনত মুম্বাইত মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ কেবাগৰাকী উদ্যোগপতিৰ সৈতে আলাপ-আলোচনাত মিলিত হোৱাৰ পিছতে আজি সংবাদমেলত কয় যে ২৫-২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া সন্মিলনত পৰ্যটন, অৰ্ধপৰিবাহী আৰু প্ৰতিৰক্ষাৰ দৰে ক্ষেত্ৰত বিনিয়োগ গুৰুত্ব দিয়া হৈছে। টাটা গোটৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বাবে ২৭,০০০ কোটি টকাৰ বৃহৎ বিনিয়োগ নিৰ্ধাৰিত। এই বছৰৰ নৱেম্বৰ বা ডিচেম্বৰত প্ৰথম পৰ্যায়টো উদ্বোধন কৰা হ'ব। টাটাই ৰাজ্যখনত ৫০০ মেগাৱাটৰ সৌৰ ক্ষমতা স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। এক ঔদ্যোগিক নীতি লৈ চাহ বাগিচাৰ পৰিত্যক্ত ভূমিসৌৰ শক্তি প্ৰকল্প কৰাৰ বাবে আগ্ৰহী। ৰাজ্যখন উত্তৰ-পূবৰ সৈতে থকাত সৰ্বাধিক সেনা মোতায়েন কৰা দেখা যায়। ৰাজ্যত প্ৰতিৰক্ষা উৎপাদন আৰু মেৰামতিৰ ক্ষেত্ৰত বিনিয়োগৰ ক্ষেত্ৰত আকৰ্ষিত কৰিব বিচাৰিছে। এই দিশত আদানি গোট আৰু মহিন্দ্ৰাৰ সৈতে হোৱা বাৰ্তালাপ কৰাৰ কথা উল্লেখ কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বিনিয়োগ আৰু আন্তঃগাঁথনিৰ উন্নয়নত গুৰুত্ব দিয়া বুলি কয়। দুয়োটা কথা মনত ৰাখি বিনিয়োগ লাভ কৰিবলৈ সক্ষম হ'ব লাগিব, কিন্তু কিমান বিনিয়োগ পাব সেই কথা ক'ব নোৱাৰিম। মোৰ কোনো লক্ষ্য নাই, কিন্তু 'ইয়ে দিল মাংগে মোৰে।' মুম্বাই ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই টাটা ট্ৰাষ্টৰ অধ্যক্ষ নোয়েল টাটা, পুত্ৰ নেভিল টাটা, মহিন্দ্ৰা গ্ৰুপৰ অধ্যক্ষ আনন্দ মহিন্দ্ৰাকে ধৰি কুৰিগৰাকী উদ্যোগপতিক সাক্ষাৎ কৰে। ষ্টিভেন ষ্ট্ৰীটৰ গেটৱে বিল্ডিংত মধ্যাহ্নভোজনো আয়োজন কৰে মুখ্যমন্ত্ৰী শৰ্মাই। উল্লেখ্য ছে, সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকা সময়ত প্ৰথমবাৰৰ বাবে এডভাণ্টেজ অসম অনুষ্ঠিত হৈছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চীনলৈ ভয় কৰে বিজেপি চৰকাৰে

লোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। চীনে তিব্বতত ব্ৰহ্মপুত্ৰ নদীত বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণৰ সিদ্ধান্ত লোৱাৰ চৰ্চিত বিষয়টোত বিজেপি দল আৰু চৰকাৰে মাত মাতিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰিছে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে যোৱা ২৫ ডিচেম্বৰত চীনে তিব্বতত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰে মাত্ৰ নিয়মমাফিক উদ্বিগ্নতাহে প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰে যি ধৰণৰ ভূমিকা ল'ব লাগিছিল তেনে ভূমিকা লোৱা দেখা নগ'ল। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে তীব্ৰ প্ৰতিবাদ কৰিব নোৱৰা বুলি অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছৰ সাংসদগৰাকীয়ে। এসময়ত অসমৰ কংগ্ৰেছ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে চীনে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নদীবান্ধ নিৰ্মাণ বন্ধ কৰাত তদানীন্তন বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক আৰ্জি দিয়াৰ পিছতো চীনৰ বিৰুদ্ধে সবল ভূমিকা গ্ৰহণ কৰা নাছিল। এতিয়া আকৌ চীনে তিব্বতত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণৰ বিৰুদ্ধে বিজেপি চৰকাৰে সবল ভূমিকা গ্ৰহণ কৰিব পৰা নাই বুলি কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে সমালোচনা কৰে। প্ৰদ্যুৎ বৰদলৈয়ে কংগ্ৰেছ চৰকাৰৰ দিনত নদীবান্ধ নিৰ্মাণৰ ভয়াৱহতা সম্পৰ্কে প্ৰতিবেদন প্ৰস্তুত কৰা বুলি উল্লেখ কৰি কয় যে ২০১২ চনতে কংগ্ৰেছ নেতৃত্বাধীন অসম চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত বৃহৎ নদীবান্ধ নিৰ্মাণৰ ভয়াৱহতা সম্পৰ্কে প্ৰতিবেদন প্ৰস্তুত কৰিছিল। প্ৰতিবেদন প্ৰস্তুত কমিটীৰ অধ্যক্ষৰ দায়িত্বত তেওঁ খোদ আছিল। হিমন্ত বিশ্ব শৰ্মা কমিটীৰ সদস্য আছিল। কমিটীয়ে ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ জলবিদ্যুৎ প্ৰকল্পৰ ওপৰত মন্ত্ৰালয়ৰ গোটৰ প্ৰতিবেদন তদানীন্তন কংগ্ৰেছ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰিছিল। এই সন্দৰ্ভত এই প্ৰতিবেদনখনৰ পৰামৰ্শ কাৰ্যকৰী কৰাত অৰুণাচল চৰকাৰে আপত্তি দৰ্শোৱাত প্ৰতিবেদনখনৰ পৰামৰ্শ কাৰ্যকৰী কৰাত অসুবিধাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী সময়ত ২০১৪ চনত বিজেপি শাসনত অহাৰ পিছত এই প্ৰতিবেদনৰ কাম আগনাবাঢ়িল বুলি কৈ আক্ষেপ কৰে। কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে অসম চৰকাৰৰ ওপৰত মুখ্য নিৰ্মাণৰত প্ৰকল্পসমূহক লৈ পক্ষপাতিত্বৰ অভিযোগ উত্থাপন কৰি দাবী কৰে যে কেৱল দুই বা তিনিজন ঠিকাদাৰক নিৰন্তৰভাৱে সেঁতু, চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য আন্তঃগাঁথনি উন্নয়নৰ দৰে কামৰ ঠিকাৰ বাবে বাছনি কৰা হৈছে। চৰকাৰৰ এই নীতিয়ে ৰাজ্যখনৰ আঁচনিৰ ঠিকা আৱণ্টন প্ৰক্ৰিয়াত স্বচ্ছতা আৰু দায়বদ্ধতাৰ বিষয়ত প্ৰশ্ন উত্থাপন হৈছে। সাংসদগৰাকীয়ে কয় যে চৰকাৰে কেৱল মুষ্টিমেয় ঠিকাদাৰক লাভান্বিত কৰাত গুৰুত্ব দি গৈছে। আনহাতে সামগ্ৰিক উন্নয়নত পিছ পৰি আছে। সাংসদগৰাকীয়ে এই পক্ষপাতিত্বক উত্তৰ-পূৱৰ স্বচ্ছ ভাৰত মিছন-আৰ্বান (এছবিএম-ইউ) ২.০ত জৰ্জৰিত কৰা সমস্যাৰ সৈতে ৰিজায়। ২০২১ চনৰ পৰা স্বচ্ছ ভাৰত মিছন-আৰ্বানত মাত্ৰ ১৯ শতাংশ আৱণ্টিত পুঁজি বিতৰণ কৰা হৈছে। বৰদলৈয়ে উল্লেখ কৰে যে স্বচ্ছতাৰ এই অভাৱৰ লগতে লেহেমীয়া পুঁজি মুকলিৰ ফলত আৱৰ্জনা ব্যৱস্থাপনা আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত অগ্ৰগতিত বাধা আহি পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ ১১ জিলাত আৰম্ভ গুণোৎসৱ

৬ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে প্ৰথম পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে। প্ৰথম দিনটোত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে লখিমপুৰৰ এখন বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত অংশ লয়। লখিমপুৰত শিক্ষামন্ত্ৰী পেগুৱে গুণোৎসৱ-২০২৫ৰ কাৰ্যসূচী সফলতাৰে পৰিচালনাৰ বাবে সংশ্লিষ্ট সকলো পক্ষকে নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অনুসৰি দায়িত্বসমূহ সম্পাদন কৰিবলৈ আহ্বান জনাইছে। বিগত বৰ্ষৰ দৰে এই বৰ্ষৰ গুণোৎসৱত সকলোৰে সহযোগিতাত কাম কৰি আন্তৰিক শুভেচ্ছা যাচে শিক্ষামন্ত্ৰীগৰাকীয়ে। শিক্ষামন্ত্ৰীগৰাকীৰ লগতে কেবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু আমোলাই শিক্ষানুষ্ঠানত উপস্থিত থাকি কণ কণ ছাত্ৰ-ছাত্ৰীৰ সৈতে সময় কটায়। প্ৰথম পৰ্যায়ত বৰপেটা, বজালী, কৰিমগঞ্জ, কামৰূপ, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, দক্ষিণ শালমাৰা-মানকাচৰ আৰু ওদালগুৰি জিলাত অনুষ্ঠিত হৈছে গুণোৎসৱ। প্ৰথম পৰ্যায়ৰ গুণোৎসৱে সামৰি লৈছে ১৪ লাখ ১১ হাজাৰ ৮৭৪ ছাত্ৰ-ছাত্ৰীক। গুণোৎসৱে তিনিটা পৰ্যায়ত ৬ জানুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব আৰু ৰাজ্যৰ সকলো জিলাক সামৰি ল'ব। ১৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া দ্বিতীয় পৰ্যায়ত ১৩ খন জিলাক সামৰি ল'ব। বাক্সা, চিৰাং, চৰাইদেউ, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ আৰু তিনিচুকীয়া জিলাক সামৰি ল'ব। ৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া তৃতীয় পৰ্যায়ত মুঠ ১১খন জিলাক সামৰি ল'ব। বঙাইগাঁও, বিশ্বনাথ, দৰং, ডিব্ৰুগড়, গোৱালপাৰা, কাছাৰ, নলবাৰী, মৰিগাঁও, ডিমা হাছাও, মাজুলী আৰু পশ্চিম কাৰ্বি আংলং জিলাক সামৰি ল'ব। প্ৰতিটো পৰ্যায়ত চাৰিদিনকৈ বিদ্যালয়ৰ স্ব-মূল্যায়ন হ'ব আৰু পৰৱৰ্তী দিনকেইটাত হ'ব বহিঃ মূল্যায়ন। কলেজ শিক্ষকসকলৰ সমস্যা সমাধান নকৰাত কলেজ শিক্ষক সন্থাই গুণোৎসৱ বৰ্জন কৰাৰ ঘোষণা কৰিছিল। কিন্তু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা ভাবি এই সিদ্ধান্ত সলনি কৰিছে কলেজ শিক্ষক সন্থাই। আজি কলেজ শিক্ষক সন্থাই গুণোৎসৱত অংশগ্ৰহণ কৰাৰ ঘোষণা কৰিছে। শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি কয়। ৪ জানুৱাৰীত কলেজ শিক্ষকসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত শিক্ষামন্ত্ৰীৰ সৈতে হোৱা বৈঠকত কোনো সিদ্ধান্ত নোলোৱাত ১০ হাজাৰ কলেজ শিক্ষকে গুণোৎসৱ বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু গুণোৎসৱত অংশ লোৱাৰ ঘোষণা কৰিছে কলেজ শিক্ষক সন্থাই। শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি সিদ্ধান্ত সলনি কৰে। এমাহৰ বাবে স্থগিত কৰাৰ ঘোষণা কৰে কলেজ শিক্ষক সন্থাই। যদি এমাহৰ পিছত দাবীসমূহ মানি নলয় তেন্তে পুনৰ আন্দোলনৰ হুংকাৰ দিছে ক্ষোভিত শিক্ষকসকলে। ইপিনে বাঘৰ সন্ত্ৰাস অব্যাহত থকা কলিয়াবৰত স্বাভাৱিক জনজীৱন ব্যাহত হৈ থকাৰ মাজতে ব্যাপক নিৰাপত্তা ব্যৱস্থাৰ মাজত গুণোৎসৱ আৰম্ভ হয়। আজি পুৱাই দেখা গ'ল এক বিশেষ দৃশ্য। আগে আগে বন্দুকধাৰী, পিছে পিছে ছাত্ৰ-ছাত্ৰীয়ে ভয়-শংকাৰে গুণোৎসৱৰ বাবে দীৰ্ঘদিনৰ মূৰকত স্কুললৈ আহি থকা দেখা যায়। বন বিভাগৰ অস্ত্ৰধাৰী সুৰক্ষাকৰ্মীৰ বেষ্টনীৰ বিদ্যালয়লৈ আহে ছাত্ৰ-ছাত্ৰীসকল। কলিয়াবৰত বাঘৰ সন্ত্ৰাস এব্যাহত থকাৰ লগতে কেবাজনো লোকক আক্ৰমণ কৰাত এগৰাকী লোকে প্ৰাণ হেৰুৱাইছে। ফলত বাঘে মানুহ প্ৰাণ লোৱা এলেকাত শিক্ষানুষ্ঠান বন্ধ আছে। কলিয়াবৰ প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক আজি স্কুললৈ আনে। কলিয়াবৰৰ টিমনা বস্তিত চাহ বাগিচাৰ মাজেৰে আহ-যাহ কৰে ছাত্ৰ-ছাত্ৰী। গুণোৎসৱৰ পৰা যাতে ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত নহয় তাৰ বাবে বনকৰ্মীয়ে ছাত্ৰ-ছাত্ৰীক বিশেষ নিৰাপত্তা প্ৰদান কৰা পৰিলক্ষিত হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰহস্যজনকভাৱে মৃত্যু বিজেপি নেতাৰ

উত্থাপন হৈ থকাৰ সময়তে এইবাৰ গুৱাহাটীত শাসকীয় বিজেপি দলৰ মণ্ডল সভাপতিৰ ৰহস্যজনক মৃত্যুৱে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টিৰ নেতাৰ ৰহস্যজনক মৃত্যুৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে। জালুকবাৰী সমষ্টিৰ জালুকবাৰী মণ্ডল বিজেপিৰ সভাপতি কমল দে'ক কালি নিশা ৰাজপথত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰৰ পিছতে হাস্পতালত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰিছে। পাণ্ডুৰ শংকৰনগৰত নিশা প্ৰায় ৩ বজাত জালুকবাৰী জিলা মণ্ডলৰ সভাপতিগৰাকীক গাড়ীত মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰা হৈছিল। পিছত মালিগাঁৱৰ ব্যক্তিগত খণ্ডৰ স্বাগত হাস্পতালত ভৰ্তি কৰে যদিও কিছু সময় পিছতে চিকিৎসকে মৃত ঘোষণা কৰিছে। কমল দে' ৰাজপথত কিমান সময় পৰি আছিল সেই কথা জানিব পৰা নাছিল। স্থানীয় ৰাইজে এয়া হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰিছে। কিন্তু পুৰা আৰক্ষীয়ে এয়া হত্যাকাণ্ড নহয় বুলি স্পষ্টিকৰণ দিয়ে। গুৱাহাটী মহানগৰ আৰক্ষীপ আয়ুক্ত পাৰ্থ সাৰথি মহন্তই কমল দে' পথ দুৰ্ঘটনাত মৃত্যু হোৱা বুলি দাবী কৰিছে। জালুকবাৰী মণ্ডল বিজেপিৰ সভাপতিজন নিশা প্ৰায় ২.৪৭ মিনিটত দুৰ্ঘটনা পতিত হৈছিল বুলি আৰক্ষীয়ে দাবী কৰি সেই দৃশ্য চিচিটিভিত বন্দী হোৱা বুলি কয়। আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই কয় যে পৰিয়ালৰ আৰু আত্মীয়ৰ সন্দেহ দূৰ কৰিবলৈ তদন্ত কৰা হ'ব। এটা স্পীড ব্ৰেকাৰত খুন্দিয়াই ৰাস্তাত পৰিছিল কমল দে'। জালুকবাৰী আৰক্ষীয়ে তদন্ত কৰি থকাৰ লগতে ঘটনাৰ ওপৰত চিআইডিয়ে নজৰ ৰাখিছে। সকটজনক অৱস্থাত কমল দে'ক চিকিৎসালয়ত ভৰ্তি কৰিছিল যদিও পৰৱৰ্তী সময়ত চিকিৎসকে মৃত ঘোষণা কৰে। কমল দে'ৰ মৃতদেহ পুৰা মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয়। ইপিনে মুখ্যমন্ত্ৰী বিমন্ত বিশ্ব শৰ্মাৰ দে'ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় "আমাৰ দলৰ গুৱাহাটী মহানগৰ জিলাৰ জালুকবাৰী মণ্ডলৰ সভাপতি কমল দে' ডাঙৰীয়াৰ বিয়োগৰ খবৰ শুনি অত্যন্ত মৰ্মাহত হৈছো। তৃণমূল পৰ্যায়ৰ এগৰাকী সক্ৰিয় তথা নিষ্ঠাৱান কাৰ্যকৰ্তা হিচাপে তেখেতে দল তথা দেশসেৱাৰ বাবে আগবঢ়োৱা অৱদান আমাৰ দলে সদায়ে স্মৰণ কৰিব। তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে ঈশ্বৰৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনালোঁ আৰু শোকাকুল পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিলো।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জামিন পালে আচাৰ্য গোচৰৰ ৫

প্ৰধান আচাৰ্য্য বনমালি সূতৰ আত্মহত্যা কাণ্ডৰ গোচৰৰ ৫ অভিযুক্তক আজি জামিন প্ৰদান কৰিছে উচ্চ ন্যায়ালয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে অভিযুক্ত হিৰণ্য বৰগোহাঁই, নৰনীতা গগৈ, মঞ্জু গগৈ, সূৰুয গগৈ, কুমুদ বৰুৱাক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত অভিযুক্তসকলৰ হৈ যুক্তি প্ৰদৰ্শন কৰিছিল অধিবক্তা গৌতম চমুৱাই। চৰকাৰী অধিবক্তাই জামিনৰ বিৰোধ কৰিছিল যদিও অধিবক্তা গৌতম চমুৱাৰ যুক্তিক বিবেচনা কৰি জামিন প্ৰদান কৰা বুলি জানিব পৰা গৈছে। প্ৰধান আচাৰ্য্য বনমালি সূতৰ আত্মহত্যা কাণ্ডত অভিযুক্ত কৰি পৰিয়ালে মুঠ ১৬ জন লোকক অভিযুক্ত কৰি এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তি প্ৰথমে যোগেশ বৰুৱা, প্ৰিয়ৰাম ফুকন, নৰ কোঁৱৰক গ্ৰেপ্তাৰ কৰা হৈছিল। জানিব পৰা মতে, ঐতিহ্যমণ্ডিত ঢকুৱাখনাৰ শংকৰদেৱ শিশু নিকেতনৰ তদানীন্তন প্ৰধান আচাৰ্য বনমালি সূতে ২৭ ডিচেম্বৰত নিজ বাসগৃহত আত্মহত্যা কৰিছিল। বনমালি সূতক পদৰ পৰা খেদিবলৈ নিকেতনৰে এটা লবীয়ে বিত্তীয় কেলেংকাৰীৰ লগতে আন আন অভিযোগ আনি পদৰ পৰা খেদিবলৈ গভীৰ ষড়যন্ত্ৰ আৰম্ভ কৰিছিল। বনমালি সূতক প্ৰধান আচাৰ্য পদৰ পৰা আতৰাই অন্য এজনক বহুৱাবলৈ ষড়যন্ত্ৰ কৰিছিল বুলি অভিযোগ উঠিছিল। নিকেতনৰ আচাৰ্য দেৱযানী চমুৱাক প্ৰধানা আচাৰ্য পদত বহুৱাবৰ বাবে প্ৰায় ১৬ জন লোকে নিতৌ মানসিকভাৱে হাৰাশাস্তি কৰিছিল বনমালি সূতক। বিত্তীয় কেলেংকাৰীৰ লগতে বহু মনেসজা অভিযোগ উত্থাপন কৰি শিশু শিক্ষা সমিতি অভিযোগ দাখিল কৰিছিল। একাধিক অভিযোগ দাখিল কৰাত শিশু শিক্ষা সমিতি অসমে অভিযোগৰ তদন্ত কৰিবলৈ তিনিজনীয়া দল প্ৰেৰণ কৰিছিল ঢকুৱাখনাৰ নিকেতনলৈ। বনমালি সূতক মিছা অপবাদ দিয়াত গ্লানি সহিব যাব লগা হৈছিল। স্বাভিমানী সূতক তদন্তকাৰী দলৰ সন্মুখত থিয় হৈ জবাবদিহি কৰা হৈছিল। শিশু শিক্ষা সমিতি অসমে প্ৰধান আচাৰ্য সূতক এমাহকাল ছুটীত পঠিয়াই যদুমণি বৰুৱাক নিকেতনৰ অন্তৰ্বৰ্তীকালীন প্ৰধান আচাৰ্যৰ দায়িত্ব প্ৰদান কৰিছিল। বিতৰ্কিত লোকসকলে নিকেতনৰ নতুন তদৰ্থ সমিতি গঠন কৰাৰ লগতে অভিভাৱকৰ সভা আহ্বান কৰিছিল। বনমালি সূতৰ বিৰুদ্ধে ছপা গোহাৰি বিতৰণ কৰি ৰাজহুৱা সভা আহ্বান কৰা হৈছিল। নীৰৱে নিকেতনত শিক্ষাৰ সাধনা কৰি যোৱা সূতে অপবাদ সহিব নোৱাৰি ২৭ ডিচেম্বৰত নিজ বাসগৃহত আত্মহত্যা কৰিছিল। পৰিয়ালে আহ্বায়ক যোগেশ বৰুৱা, মঞ্জু গগৈ, নৰনিতা গগৈ, সূৰুয গগৈ, প্ৰিয়ৰাম ফুকন, প্ৰফুল্ল শৰ্মা, ৰবীন দত্ত, অচ্যুত সূত, কামাখ্যা ভড়ালী, প্ৰণৱ বৰপাত্ৰ গোঁহাই, হিৰণ্য বৰগোহাঁই, তৰুণ চেতিয়া, মৃদুল চুতীয়া, নৰ কোঁৱৰ, বিষ্ণু চেতিয়া, কুমুদ বৰুৱা, পুতুল শৰ্মা, জিণ্টু গগৈক অভিযুক্ত কৰি এজাহাৰ দাখিল কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাত বন্ধুক জেললৈ প্ৰেৰণ


গাঁৱৰ যুৱক তথা পুব মাজুলী মহাবিদ্যালয়ৰ প্ৰথম ষাণ্মাষিকৰ শিক্ষাৰ্থী পিংকু হাজৰিকা(২২)ৰ মৃতদেহ কালি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাট ঘাটৰ সমীপত উপঙি থকাৰ অৱস্থাত উদ্ধাৰ হোৱাৰ পিছতেই এতিয়া বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰিছে। যুৱক জনৰ মৃতদেহ উদ্ধাৰৰ পিছতেই মৃতদেহত প্ৰত্যক্ষ কৰা আঘাতৰ চিন আৰু যুৱক জনে পৰিধান কৰা কাপোৰ ফলা অৱস্থাত পোৱাত পৰিয়ালে প্ৰথমৰ পৰাই কৰি অহা সন্দেহ অধিক বৃদ্ধি পোৱাত যুৱকজন হত্যাৰ বলি হোৱা বুলি সন্দেহ প্ৰকাশ কৰি আৰক্ষীক তদন্তৰ আহ্বান জনাইছিল। ইফালে ঘটনাৰ পিছতেই ৰাইজৰ অভিযোগ অনুসৰি বিভিন্ন সন্দেহত বনভোজ দলৰ ৬ জনক আটক কৰি মাজুলী আৰক্ষী থানাত জেৰা অব্যাহত ৰখাৰ পিছত আজি পৰিয়ালৰ লোকে ৰুজু কৰা মাজুলী আৰক্ষী থানা গোচৰ নম্বৰ 01/2025 Us/ -103(1)BNS.2023 ভিত্তিত পিংকু হাজৰিকাৰ মুঠ সাত বন্ধু ক্ৰমে বিশ্ব ভৰালী, পলাশ দত্ত, আদিত্য দত্ত, বিশ্বজিৎ শইকীয়া, প্ৰশান্ত বৰুৱা, জ্যোতি ৰঞ্জন দাস, কল্পজ্যোতি হাজৰিকাক আদালতৰ জড়িয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ইফালে পিংকু হাজৰিকাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ পিছত আজি নিশা পৰিয়ালৰ লোকক গতাই দিয়ে। উল্লেখযোগ্য যে মাজুলী জিলাৰ জেংৰাইমূখ আৰক্ষী থানাৰ অন্তৰ্গত ৰতনপুৰ গায়ন পঞ্চায়তৰ বাঘৰ গাঁৱৰ নিবাসী থগেশ্বৰ হাজৰিকাৰ পুত্ৰ পিংকু হাজৰিকাই তেওঁৰ বন্ধুৰ সৈতে মাজুলী অফলামুখ পাঘাটৰ সমীপত থকা তিনি নম্বৰ শৈলস্পাৰ অংশত বনভোজ খাবলৈ গৈছিল। ৩০ ডিচেম্বৰৰ পুৱা প্ৰায় ১১ বজাত ছজনীয়া বন্ধুৰ সৈতে বনভোজ খাবলৈ যোৱা পিংকু হাজৰিকাই বিয়লি প্ৰায় ২.১০ বজাত ফোন এটা অহাত বনভোজ থলীৰ পৰা আঁতৰি যোৱাৰ পিছৰে পৰাই লগৰ বন্ধু কেইজনে পিংকুক ম'বাইলত সংযোগ পোৱা নাছিল বুলি কব খোজে। ইফালে নিখোজ হোৱাৰ এসপ্তাহৰ মূৰত কালি পিংকুৰ মৃতদেহ উদ্ধাৰ হোৱাত নিশা গড়মূৰ জিলা চিকিৎসালয়ৰ মৰ্গতে পিংকুৰ মৃতদেহ ৰাখি আজি ডিব্ৰুগড়ত মৰনোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালক গতাই দিয়ে। মৃতদেহ নিশা নিজ গৃহত উপস্থিত হোৱাৰ পিছত এক অৱৰ্ণনীয় শোকাকুল পৰিৱেশ বিৰাজ কৰে।

# হাজোৰ মনাহকুছিত পথ দুৰ্ঘটনাত থিতাতে নিহত স্কুটী আৰোহী মহিলা, গুৰুতৰভাৱে আহত এগৰাকী

**ই-সংবাদ, হাজো, ৬ জানুৱাৰীঃ** হাজোৰ মনাহকুছিত আজি দিনৰ ভাগত সংঘটিত হয় এক ভয়ংকৰ পথ দূৰ্ঘটনা। এখন তীব্ৰবেগী ট্ৰাকে মহতিয়াই নিয়ে দুই স্কুটি আৰোহী মহিলাক। এই পথ দূৰ্ঘটনাত এগৰাকী মহিলাৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন এগৰাকী মহিলা গুৰুতৰ ভাৱে আহত হয়। পথ দূৰ্ঘটনাত থিতাতে নিহত মহিলা গৰাকী হাজো আৰক্ষী থানাৰ অন্তৰ্গত কৰ্মসূত্ৰে আশা চুপাৰ ভাইজাৰ সাতদলাৰ অৰ্চনা মালাকাৰ(৩৭) আৰু গুৰুতৰ ভাৱে আহত মহিলা গৰাকী একে গাৱঁৰে লতিকা বৈশ্য মালাকাৰ(৫৩) বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, দুই মহিলা ক্ৰমে অৰ্চনা মালাকাৰ আৰু লতিকা বৈশ্য মালাকাৰে এএছ-২৫ডি - ৯৬৩৩ নম্বৰৰ স্কুটি খনেৰে দমদমা-বৰম্বৈ পথেৰে আহি মনাহকুছি-ঘোৰামাৰা পোৱা মাত্ৰকে বিপৰীত দিশৰ পৰা অহা এ এছ-০১-পিচি-৯৮২৫ নম্বৰৰ তীব্ৰবেগী ট্ৰাক এখনে মহতিয়াই নিয়ে। ফলত অৰ্চনা মালাকাৰ নামৰ মহিলা গৰাকীৰ থিতাতে মৃত্যু হয় আৰু লতিকা বৈশ্য মালাকাৰ নামৰ মহিলাগৰাকী গুৰুতৰ ভাৱে আহত হয়। স্থানীয় ৰাইজৰ তৎপৰতাত পিছত ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ গুৰুতৰ ভাৱে আহত লতিকা বৈশ্য মালাকাৰ নামৰ মহিলা গৰাকীক হাজো বিষ্ণুৰাম মেধি সামূহিক চিকিৎসালয়ত ভৰ্তি কৰোৱাই যদিও গুৰুতৰ আঘাতৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসকে জি এম চি এইচলৈ প্ৰেৰণ কৰে। ইফালে পথ দূৰ্ঘটনা সংঘটিত কৰা ট্ৰাক চালক হাজো আৰক্ষী থানাৰ অন্তৰ্গত ৩নং মনাহকুছিৰ আচিক আলী(২৮)ক আৰক্ষীয়ে আটক কৰে। দুৰ্ঘটনাটোক লৈ সমগ্ৰ হাজো অঞ্চলতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# উচ্ছৃংখল যুৱক-যুৱতীৰ নিৰ্লজ্জ কাণ্ড! শিৱসাগৰৰ ঐতিহাসিক কীৰ্তিচিহ্নৰ দেৱালয়ত প্ৰেমিক-প্ৰেমিকাৰ নাম

**ই-সংবাদ, নাজিৰা, ৬ জানুৱাৰীঃ** ঐতিহাসিক শিৱসাগৰ জিলা সমগ্ৰ অসমৰ ভিতৰতে ব্যতিক্ৰম কিয়নো ইয়াত ৬০০ বছৰ ৰাজ শাসন কৰা আহোমৰ ইতিহাস গভীৰভাৱে জড়িত হৈ আছে। আহোম শাসনৰ সময়ত নিৰ্মাণ কৰা কীৰ্তিচিহ্নসমূহ অসমৰ অন্যান্য জিলাৰ তুলনাত শিৱসাগৰত আটাইতকৈ বেছি আছে। ইতিহাস প্ৰসিদ্ধ ঠাই হিচাপে পৰিচিত হোৱা শিৱসাগৰত ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, জয় দৌল, শিৱদৌল, জয়সাগৰ পুখুৰী শিৱসাগৰ পুখুৰীকে ধৰি অত্যধিক কীৰ্তিচিহ্ন আছে, যিবোৰ চৰকাৰৰ লগতে শিৱসাগৰবাসীয়ে জীয়াই ৰখাৰ স্বাৰ্থত সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। কিন্তু এইসকলৰ দৰে সজাগ-সচেতন ব্যক্তিৰ মাজত একাংশ দুষ্ট প্ৰকৃতিৰ লোকে এই কীৰ্তিচিহ্নসমূহত আঘাত কৰা পৰিলক্ষিত হৈছে।



বহুতে ঐতিহাসিক চিহ্নসমূহ চাবলৈ গৈ সেই ঠাইতে পিক পেলোৱাৰ দৰে কাৰ্য কৰা পৰিলক্ষিত হৈছে। তদুপৰি একাংশ পথভ্ৰষ্ট যুৱক-যুৱতীয়ে ঐতিহাসিক কীৰ্তিচিহ্নৰ দেৱালয়সমূহত অংকন কৰি লেতেৰা কৰি পেলাইছে। য'ত একাংশ উচ্ছৃংখল যুৱক-যুৱতীৰ যৌৱনৰ উন্মাদনাৰ নিম্নগামী চিন্তাধাৰা দেখিবলৈ পোৱা গৈছে। দেৱালয়সমূহত যাৰে তাৰে নাম লিখি পূৰ্বৰ ডিজাইনসমূহ সলনি কৰি লেতেৰা কৰি পেলোৱা পৰিলক্ষিত হৈছে। একাংশ দুষ্ট চক্ৰই যিদৰে এই কীৰ্তিচিহ্নসমূহত ঘঁহাই ঘঁহাই নাম লিখি অনিষ্ট কৰিছে এইবোৰ দেখি হয়তো বিদেশৰ পৰ্যটকো আচৰিত হৈ পৰিছে। ঐতিহাসিক কীৰ্তিচিহ্নত প্ৰেমিক-প্ৰেমিকাৰ নাম লিখি ভালপোৱা প্ৰকাশ কৰাটো আচলতে গ্ৰহণযোগ্য হয়নে? কিমান নিম্ন মানসিকতাৰলোকৰ এই কাম হ'ব পাৰে এই বিষয়ক লৈ আচৰিত হৈ পৰিছে সচেতন মহল। এনেধৰণৰ কৰ্মৰ জৰিয়তে বিদেশী পৰ্যটকৰ আগত আমাৰ নিজৰ নিম্ন মানসিকতাৰ পৰিচয় দিয়াৰ লগতে ঐতিহাসিক কীৰ্তিচিহ্নসমূহক চূড়ান্তভাৱে যে অপমান কৰিছে সেই কথা কেতিয়া অনুভৱ কৰিব এইসকল উচ্ছৃংখল যুৱক-যুৱতীয়ে বুলি সচেতন মহলে প্ৰশ্ন কৰিছে।

# শিৱসাগৰ সমষ্টিৰ পৰাই ২০২৬ত নিৰ্বাচন খেলিব বুলি আকৌ স্পষ্ট কৰিলে বিধায়ক অখিল গগৈয়ে

**ই-সংবাদ, শিৱসাগৰ, ৬ ডিচেম্বৰঃ** ২০২৬ ৰ বিধানসভা নিৰ্বাচনত শিৱসাগৰৰ পৰাই প্ৰতিদ্বন্দিতা কৰিব ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। আজি শিৱসাগৰত এই কথা স্পষ্ট কৰে বৰ্তমানৰ বিধায়ক গৰাকীয়ে। দলে পুনৰ শিৱসাগৰৰ পৰাই প্ৰতিদ্বন্দিতা কৰাটো বিচাৰিছে বুলি উল্লেখ কৰি বিধায়ক গৰাকীয়ে কয়, "মই শিৱসাগৰ পৰাই নিৰ্বাচন খেলাটো নিশ্চিত কৰিছো। দলে কৈছে। মই জেইলত থকা সময়ছোৱাত শিৱসাগৰবাসীয়েই উলিয়াই আনিছিল। যি সহায় কৰিলে তাৰ বাবে চিৰ কৃতজ্ঞ শিৱসাগৰবাসীৰ ওচৰত। শিৱসাগৰবাসীয়ে পুনৰ বিচাৰিছে।" যোৱা চাৰে তিনি বছৰত বিৰোধী বিধায়ক হোৱা বাবে সকলো প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই যদিও যিমান পাৰো চেষ্টা কৰিছো বুলিও মন্তব্য কৰে অখিল গগৈয়ে। তেওঁ কয়, "আগন্তুক নিৰ্বাচনত জয়ী হ'লে যদিহে বিৰোধী শক্তিৰ চৰকাৰ হয় শিৱসাগৰখন বনাই দিম।" ইপিনে শৃঙ্খল চলিহাই শিৱসাগৰৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ কথা চৰ্চাত আছে বুলি কোৱা সন্দৰ্ভত অখিল গগৈয়ে আৰু কয়, "শৃঙ্খল চলিহাই প্ৰতিদ্বন্দিতা কৰে নে নকৰে সেয়া তেওঁৰ কথা। যদি কৰে তাৰ বাবেও শুভেচ্ছা থাকিব। কিন্তু পৃথিৱীৰ কোনো শক্তিয়ে মোক ৰখাব নোৱাৰে। ৰাইজে বিচাৰিছে।" উল্লেখ্য যে আজি বিধায়কগৰাকীয়ে শিৱসাগৰ দৌলমুখ চাৰিআলিত আজি পুৰাই এটা পথৰ পুনৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে বিধায়ক অখিল গগৈয়ে।দৌলমুখ চাৰিআলিৰ পৰা মুক্তিনাথ চাৰি আলিলৈকে পথটো মুখ্যমন্ত্ৰীৰ নগৰীয়া পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত ১.৬০ কোটি টকা ব্যয় সাপেক্ষে পুনৰ নিৰ্মাণ তথা বহলীকৰণ কাৰ্যৰ আধাৰশিলা কৰে। ইয়াৰ পিছতে শিৱসাগৰত বিধায়ক অখিল গগৈ নৱনিৰ্মিত এখন দলং উদ্বোধন কৰে। শিৱসাগৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা হাৰমতীগড়ৰ সংযোগী পথৰ ওপৰত এখন দলং উদ্বোধন কৰে। প্ৰায় ১৩৫ মিটাৰ দৈৰ্ঘ্য এই দলং খনত প্ৰায় ৯৯৯.৯৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মান কৰা হয়।শিৱসাগৰ আৰু গৌৰীসাগৰ সংযোগী এই দলং খনে ৰাইজক বহুত সুবিধা হব বুলি আশা প্ৰকাশ কৰে। আনহাতে এই অনুষ্ঠানতে বিধায়ক গৰাকীয়ে শিৱসাগৰত ৰাজ্যিক কেবিনেট লৈ অসমৰ মুখ্যমন্ত্ৰীক এখন পত্ৰ দিয়া লগতে সাক্ষাৎ কৰা কথা উল্লেখ কৰে। বিশেষকৈ শিৱসাগৰ ৰাস্তা সমূহ বহল কৰা লগতে, শিৱসাগৰ নগৰৰ নলা নৰ্দমাসমূহ, শিৱসাগৰ ঐতিহাসিক তলাতল ঘৰ প্ৰকল্প, শিৱসাগৰত দিখৌত আন এখন দলং নিৰ্মাণৰ কথা উল্লেখ কৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে।

# কাইলৈ বহী মূল্যাংকন, শিৱসাগৰত আৰম্ভ হ'ল গুণোৎসৱ

**ই-সংবাদ, আমগুৰি, ৬ জানুৱাৰীঃ** ৰাজ্যখনৰ ১০খন জিলাৰ লগতে শিৱসাগৰ জিলাতো আজিৰে পৰা আৰম্ভ হৈছে গুণোৎসৱ ২০২৫। প্ৰথম পৰ্যায়ৰ ১০ জিলাৰ ভিতৰত শিৱসাগৰ, বৰপেটা, বজালী, কামৰূপ, কাৰ্বি আংলং, শ্ৰীভূমি, কুকুৰাঝাৰ, লখিমপুৰ, নগাঁও, দক্ষিণ শালমাৰা-মান কাছাৰ আৰু ওদালগুৰিত আৰম্ভ হৈছে গুণোৎসৱ। প্ৰথম পৰ্যায়ৰ গুণোৎসৱত ১৬০৫৬ খন শিক্ষানুষ্ঠান আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪,১১,৮৭৪ গৰাকী। ঠিক সমান্তৰালভাৱে শিৱসাগৰ জিলাতো আৰম্ভ হৈছে। বিগত বৰ্ষসমূহৰ দৰে এইবাৰ শিৱসাগৰ জিলাৰ বিভিন্ন চৰকাৰী শিক্ষানুষ্ঠান জাকত জিলিকাকৈ সজাই পৰাই তোলা হৈছে। আজি প্ৰথম দিনা শিক্ষানুষ্ঠানসমূহত স্ব-মূল্যায়ন অনুষ্ঠিত হয়। দৈনিক অনুষ্ঠিত হোৱা প্ৰাতঃ সভাৰ জৰিয়তে আজিৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছতে শ্ৰেণীসমূহত শিক্ষানুষ্ঠানসমূহে নিজাববীয়াকৈ মূল্যায়ন প্ৰক্ৰিয়া অনুষ্ঠিত কৰে। চলিত বৰ্ষত শিৱসাগৰ জিলাৰ ১২৪১ খন শিক্ষানুষ্ঠানৰ ৭০,৭১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক এই গুণোৎসৱে সামৰি লৈছে। এই গুণোৎসৱৰ বাবে জিলাখনত ৪৮২ গৰাকী বাহ্যিক মূল্যায়ক, ১২৩ গৰাকী সমন্বয়ক(Liaison office) আৰু নডেল শিক্ষক ১২৪১ গৰাকীক দায়িত্ব প্ৰদান কৰা হৈছে। আজিৰে পৰা ৪ দিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰথম পৰ্যায়ৰ মূল্যায়ন ৯ জানুৱাৰী পৰ্যন্ত চলিব। উল্লেখ্য যে শিৱসাগৰ জিলাই পূৰ্বৰ বছৰবোৰৰ দৰেই এইবাৰো যাতে ভাল ফলাফল দেখোৱাব পাৰে তাৰ বাবে শিক্ষা বিভাগে মূল গুণোৎসৱ আৰম্ভ হোৱাৰ পূৰ্বেই প্ৰাক-গুণোৎসৱ অনুষ্ঠিত কৰি জিলাখনৰ শৈক্ষিক দিশৰ সঠিক মূল্যায়ন কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছিল। শিৱসাগৰ জিলাই ক্ৰমাগতভাৱে ২০২২ বৰ্ষৰ পৰা 'A+' গ্ৰেড লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ইয়াৰ পূৰ্বে জিলাখনে ২০১৭ আৰু ২০১৮ বৰ্ষতো 'A+' গ্ৰেড লাভ কৰিছিল। ২০১৭ বৰ্ষত জিলাখনৰ পৰা 'A+' গ্ৰেড লাভ কৰা শিক্ষানুষ্ঠানৰ সংখ্যা আছিল ৩৯৬। ইয়াৰ বিপৰীতে ২০২৪ বৰ্ষত জিলাখনৰ পৰা 'A+' গ্ৰেড লাভ কৰা শিক্ষানুষ্ঠানৰ সংখ্যা ৮৯৯ লৈ বৃদ্ধি হৈছিল। জানিব পৰা মতে, গুণোৎসৱৰ তৃতীয়টো দিনত অৰ্থাৎ ৮ জানুৱাৰীত জিলাখনত বহিঃ মূল্যায়কৰূপে ৰাজ্যৰ শিক্ষামন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নগৰৰ ঠানুৰাম গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ২নং বালিকা বিদ্যালয় আৰু শিৱসাগৰৰ পলিটেকনিকেল বিদ্যালয়ত উপস্থিত থাকি বহী মূল্যায়কৰ দায়িত্ব পালন কৰাৰ লগতে পৰিদৰ্শন কৰিব বুলি শিৱসাগৰ শিক্ষা বিভাগৰ সূত্ৰে জানিব পৰা গৈছে।

# ডিলাইত নৈশ বাছত জব্দ ৯ কোটি টকাৰ হেৰ'ইন, চালক-হেণ্ডিমেন গ্ৰেপ্তাৰ

**ই-সংবাদ, বোকাজান, ৬ জানুৱাৰীঃ** যোৰা নিশা কাৰ্বি আংলং জিলাৰ ডিলাই আৰক্ষীয়ে এখন নৈশবাছত তালাচী চলাই বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰাৰ লগতে দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, যোৰা নিশা ডিলাই থানাৰ অন্তৰ্গত ডিলাই তিনিআলিত ২৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত আৰক্ষীয়ে চলোৱা তালাচীৰ সময়ত ডিমাপুৰৰ দিশৰ পৰা মাঞ্জাৰ দিশে আহি থকা এম এন-০৭ এইচ-০০১১ নম্বৰৰ নৈশবাছখনত তালাচী চলায়। উক্ত তালাচীৰ সময়তে আৰক্ষীৰ দলটোৱে বাছখনৰ পৰা এশটা চাবোনৰ বাকচত লুকুৱাই অনা অৱস্থাত ১.২২০ কিঃগ্ৰাঃ হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। বাছখনৰ পাওদানিৰ ভিতৰত এক গোপন চেম্বাৰ সাজি হেৰ'ইনখিনি কৌশলেৰে সৰবৰাহৰ চেষ্টা কৰা হৈছিল। এই সন্দৰ্ভত আৰক্ষীয়ে বাছখনৰ চালক আমিৰ খান(৩৪) আৰু হেণ্ডিমেন ছিংগামায়ুম ছাজাত(২৫)ক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। ধৃত দুয়োটা সৰবৰাহকাৰীৰ ঘৰ মণিপুৰত। জব্দ হোৱা হেৰ'ইনখিনিৰ বজাৰ মূল্য কমেও প্ৰায় ৯ কোটি টকা বুলি আৰক্ষী সূত্ৰে প্ৰকাশ।




ডিলাইত নৈশ বাছৰ পৰা জব্দ ৯ কোটি টকাৰ হেৰ'ইন, চালক-হেণ্ডিমেন গ্ৰেপ্তাৰ, ফটোঃ ই-সংবাদ, বোকাজান

# আগন্তুক গণৰাজ্য দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত যোৰহাটত সভা সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ৬ জানুৱাৰীঃ** যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত আগন্তুক গণৰাজ্য দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত আজি এখন সভা অনুষ্ঠিত হয়। গণৰাজ্য দিৱসত বিভাগসমূহৰ দায়িত্ব সম্পৰ্কত আলোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে গণৰাজ্য দিৱসৰ উদযাপনস্থলীৰ সঠিক প্ৰস্তুতি, জিলাখনৰ নগৰ অঞ্চলসমূহ চাফ-চিকুণ কৰাৰ লগতে ষ্ট্ৰীট লাইটৰ ব্যৱস্থা সুনিশ্চিত কৰা, জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বাসগৃহসমূহত ভাৰতৰ পতাকা সংহিতা, ২০০২ অনুসৰণ কৰি সময়মতে, উপযুক্ত পতাকা উত্তোলন কৰা আৰু সকলো চৰকাৰী কাৰ্যালয়ত আলোকসজ্জা নিশ্চিত কৰা আদি সন্দৰ্ভত আলোচনা কৰি সংশ্লিষ্টসকলক নিজ নিজ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। গণৰাজ্য দিৱস উপলক্ষে ল'বলগীয়া বিশেষ কাৰ্যসূচীসমূহৰ সন্দৰ্ভতো বিষয়াসকলে মতামত আগবঢ়ায়। আয়ুক্তগৰাকীয়ে জিলাখনত আগন্তুক গণৰাজ্য দিৱস সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ সকলোৰে সহায়-সহযোগিতা কামনা কৰে। আৰক্ষী অধীক্ষক, জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, তিতাবৰৰ সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তসকল, জিলা-প্ৰশাসনৰ বিষয়াসকলৰ লগতে বিভাগৰ মুৰব্বী বিষয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিতি থাকে।

# ন-পামৰ প্ৰাক্তন শিক্ষক, সমাজকৰ্মী ৰমাকান্ত গগৈৰ দেহাৱসান

**ই-সংবাদ, গেলেকী, ৬ জানুৱাৰীঃ** ন-পাম বাৰুৱতী গাঁও নিবাসী প্ৰাক্তন শিক্ষক, সমাজকৰ্মী ৰমাকান্ত গগৈৰ দেহাৱসান ঘটে। দেওবাৰে সন্ধিয়া ৬.৩০ বজাত চিকিৎসাধীন অৱস্থাত চিকিৎসালয়তে শেষ নিশ্বাস ত্যাগ কৰে প্ৰাক্তন গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকগৰাকীয়ে। হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বিয়োগ ঘটে গগৈৰ। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। বিগত প্ৰায় ভালেকেইদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ ডিব্ৰুগড়ত চিকিৎসাধীন হৈ আছিল প্ৰয়াত ৰমাকান্ত গগৈ। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, এগৰাকী কন্যা, দুটাকৈ নাতিক ইহ সংসাৰত এৰি থৈ যায়। ৰমাকান্ত গগৈৰ বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। ইফালে, এই খবৰ বিয়পি পৰাৰ লগে লগে পুৱাৰ ভাগত প্ৰাক্তন শিক্ষকগৰাকীক শেষ শ্ৰদ্ধা জনাবৰ বাবে বাসগৃহত বহু লোকে ভিৰ কৰা পৰিলক্ষিত হয়।

# ৰহস্যজনকভাৱে সন্ধানহীন গৃহাভিমুখী বহিঃৰাজ্যত কৰ্মৰত নগাঁৱৰ যুৱকৰ

**ই-সংবাদ, বেবেজীয়া, ৬ জানুৱাৰীঃ** পেটৰ তাড়নাত বহিঃৰাজ্যত কৰ্মৰত অসমৰ যুৱক সময়ে সময়ে সন্ধানহীন হৈ অহাৰ সময়তে পুনৰ সংঘটিত হৈছে অনুৰূপ ঘটনা। এইবাৰ সন্ধানহীন হৈছে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ আহোমগাঁও আৰক্ষী পহৰা চকীৰ এলেকাধীন চালনাবড়িৰ কুৰি বছৰীয়া এজন যুৱক। আচলতে, বহিঃৰাজ্য কেৰেলাত শ্ৰমিক হিচাপে কৰ্মৰত চালনাবড়িৰ নিবাসী ৰিয়াজ উদ্দিনৰ পুত্ৰ আছিকুল ইছলাম গৃহাভিমুখে আহি থকা অৱস্থাত ৰহস্যজনকভাৱে সন্ধানহীন হৈছে। জানিব পৰা মতে, দৰিদ্ৰ পৰিয়ালৰ এই যুৱকজন প্ৰায় সাতমাহ পূৰ্বে কোম্পানীত কাম কৰিবৰ বাবে কেৰেলালৈ গৈছিল। তাতে দীৰ্ঘদিন ধৰি শ্ৰমিক হিচাপে কৰ্মৰত হৈ থকাৰ পিছত যুৱকজন যোৱা শনিবাৰে ৰে'লেৰে ঘৰলৈ বুলি আহি থকা অৱস্থাতে গোধৰা জংছনৰ পৰা আশ্চৰ্যজনকভাৱে সন্ধানহীন হৈ পৰে। এনেদৰে হঠাতে যুৱকজন নিখোঁজ হৈ পৰাত এতিয়া পৰিয়ালৰ লোকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আনকি যুৱকজনৰ পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও এতিয়ালৈকে কোনো সন্ধান উলিয়াব পৰা নাই। কাজেই, এনেদৰে গৃহাভিমুখী যুৱকজন হঠাতে নিৰুদ্দেশ হৈ পৰাত যুৱকজনৰ পৰিয়ালৰ লোকসকল এতিয়া দুঃশ্চিন্তাত সময় অতিবাহিত কৰাৰ লগতে মানসিকভাৱে ভাগি পৰিছে। লগতে উপায়হীন হৈ এই সন্দৰ্ভত স্থানীয় আহোমগাঁও আৰক্ষীক যুৱকজনৰ পৰিয়ালৰ লোকে অৱগত কৰিছে। কোনো লোকে যদি আছিকুল ইছলামৰ কিবা সম্ভেদ পায় তেন্তে ৬০০১২-০৫৮৪৮ নাইবা ৮৮১১৯-৭১৫১৯ নম্বৰত যোগাযোগ কৰিবলৈ যুৱকজনৰ পৰিয়ালৰ লোকে কাতৰভাৱে অনুৰোধ জনাইছে।

## নগাঁৱত ধানৰ পিছত এতিয়া কৃষক ব্যস্ত ৰবিশস্যত

# হালধীয়া ফুলে মনোমোহা কৰি তুলিছে গ্ৰামাঞ্চলৰ কৃষিভূমি



**ই-সংবাদ, বেবেজীয়া, ৬ জানুৱাৰীঃ** এতিয়া ৰবিশস্যৰ বতৰ। আলু, কবি, বেঙেনা, বিলাহী, পিঁয়াজ, গাজৰ, মূলা, ফেন্সবিন, সৰিয়হ আদিকে ধৰি নানা প্ৰকাৰৰ শাক-পাচলিৰে কৃষিভূমি উপচি পৰাৰ বতৰ। সম্প্ৰতি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ গ্ৰামাঞ্চলবোৰৰ কৃষিভূমিসমূহো ৰবিশস্যৰে সেউজীয়া হৈ পৰিছে। ইয়াৰ ভিতৰত বিশেষভাৱে আলু আৰু সৰিয়হ খেতিয়েই অধিক পৰিমাণে নগাঁৱৰ কৃষিভূমিত অগ্ৰাধিকাৰ পোৱা পৰিলক্ষিত হৈছে। যাৰ পৰিণতিত সৰিয়হৰ কুমলীয়া পাত আৰু হালধীয়া ফুলে জিলাখনৰ পথাৰসমূহ ভৰি পৰি এক মনোমোহা পৰিৱেশৰ সৃষ্টি কৰিছে। যেন নগাঁৱৰ গ্ৰামাঞ্চলৰ পথাৰত কেৱল এতিয়া হালধীয়া দলিচা। স্মৰ্তব্য যে, বিগত কেইবাটাও বছৰৰ তুলনাত এইবেলি প্ৰকৃতি ধানখেতিৰ বাবে অনুকূল হোৱাত সকলো নগাঁৱৰ কৃষকেই কম-বেছি পৰিমাণে হ'লেও ধানখেতি সুকলমে কৰিবলৈ সক্ষম হ'ল। গতিকে স্বাভাৱিকতেই উৎফুল্লিত হৈ পৰা এই কৃষকসকলে বৰ্তমান ধানখেতি সামৰি পুৰাদমে ৰবিশস্যৰ খেতিত একাত্মভাৱে মনোনিৱেশ কৰিছে। এইসকল অতি কষ্টসহিষ্ণু কৃষকে সম্পূৰ্ণ যুদ্ধংদেহী মনোভাৱেৰে অলেখ আশা বুকুত বান্ধি প্ৰবল উৎসাহ সহিতে অসমৰ আন আন ঠাইৰ দৰে নগাঁও জিলাতো চৰকাৰে কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৃষিখণ্ডৰ লগতে কৃষকসকল উপকৃত হ'ব পৰাকৈ ৰূপায়ণ কৰা অভিলাষী আঁচনিবোৰ গ্ৰহণ কৰি ৰবিশস্যৰ বীজ ৰোপণ কৰিছে। গতিকে জিলাখনৰ অত্যুৎসাহী উদ্যমী কৃষকসকলে এইদৰে শৰীৰৰ ঘাম মাটিত পেলাই হাড়ভগা পৰিশ্ৰম কৰি বৰ্তমান ৰবিশস্যৰে খেতিপথাৰ ভৰাই তুলি যেন সূচনা কৰিছে সেউজ বিপ্লৱৰ। লক্ষণীয় বিষয় যে, এই কৃষক শ্ৰেণীটোৰ বাহিৰেও বহুসংখ্যক শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে চাকৰিৰ আশা মনৰ পৰা ত্যাগ কৰি সম্পূৰ্ণৰূপে কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কোনো কোনোৱে নিজাববীয়াকৈ নতুবা কোনোৱে আকৌ সমবায় ভিত্তিত উক্ত গ্ৰামাঞ্চলৰ শ শ বিঘা কৃষিভূমিত আলু, সৰিয়হ, কবি, মূলা, মাহ আদিকে প্ৰমুখ্য কৰি নানা বিধৰ শাক-পাচলিৰ খেতি কৰি শস্যপথাৰ জাকত জিলিকাকৈ নদন-বদন কৰি সৰ্বত্ৰে উদ্ভৱ ঘটাইছে এক নান্দনিক পৰিৱেশৰ।

# শংকৰী সাহিত্যৰ সেৱিকা তিলোত্তমা গোস্বামীৰ দেহাৱসান

**ই-সংবাদ, বেবেজীয়া, ৬ জানুৱাৰীঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ উত্তৰে অৱস্থিত বালিসত্ৰৰ একাল নিবাসী প্ৰয়াত বৈষ্ণৱ পণ্ডিত, শংকৰদেৱ বঁটা প্ৰাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ কেশৱানন্দ দেৱ গোস্বামীৰ সহধৰ্মিনী, ধৰ্মপ্ৰাণ মহিলা, শংকৰী সাহিত্যৰ সেৱিকা তিলোত্তমা গোস্বামীৰ দেওবাৰে নিশা বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছুদিন ধৰি শাৰিৰীকভাৱে অসুস্থ হৈ থকা বয়োজ্যেষ্ঠ মহিলা তিলোত্তমা গোস্বামীক চিকিৎসকৰ পৰামৰ্শ অনুসৰি পৰিয়ালৰ লোকে নিজ গৃহতে চিকিৎসা প্ৰদান কৰি আহিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। শংকৰী কলা-কৃষ্টিৰ নিৰলস সাধিকা তিলোত্তমা গোস্বামীয়ে বৃহত্তৰ বালিসত্ৰ অঞ্চলৰ বৈষ্ণৱ সমাজ জীৱনলৈ নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছিল। তেওঁ কেইবাখনো সত্ৰীয়া সংস্কৃতিৰ নাম-প্ৰসংগ প্ৰণালী শীৰ্ষক গ্ৰন্থও ৰচনা কৰিছিল। সৎ, অমায়িক আৰু মৰমিয়াল স্বভাৱৰ সৰবৰহী মহিলা তিলোত্তমা গোস্বামীৰ মৃত্যুত স্থানীয় অঞ্চলজুৰি শোকৰ ছাঁ পৰাৰ বিপৰীতে শ্ৰী শ্ৰী নৰোৱা বালিসত্ৰ পৰিচালনা সমিতিৰ হৈ সভাপতি দিলীপ কুমাৰ ভূঞা, কাৰ্যকৰী সভাপতি ৰুহিত কলিতা, সাধাৰণ সম্পাদক মাণিক বৰা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা বটদ্ৰৱা শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ন দেৱ মহন্ত, উপ-সভাপতি তথা বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লানজ্যোতি দেৱ গোস্বামী, ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিমান হাজৰিকা, ঢেকীয়াজুলি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শুকদেৱ অধিকাৰী, নৰোৱা বালিসত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ৰাজেন কেওট, প্ৰাক্তন সম্পাদক কুশ বৰদলৈ, বালিসত্ৰৰ মূল নামাচাৰ্য শৰৎ বৰদলৈ, গোপী মহন্তকে প্ৰমুখ্য কৰি বিভিন্নজনৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# বিশ্বনাথৰ ছেলাইখাতিৰ দুই স্থানত পথ সুৰক্ষা মাহ উপলক্ষে সজাগতা সভা

**ই-সংবাদ, বিশ্বনাথ, ৬ জানুৱাৰীঃ** পথ সুৰক্ষা মাহ উপলক্ষে বিশ্বনাথ আৰক্ষীয়ে অব্যাহত ৰাখিছে সজাগতামূলক সভা। জিলাখনৰ বিভিন্ন প্ৰান্তত আয়োজন কৰাৰ দৰে আজিও বিশ্বনাথ জিলাৰ ১ নং ছেলাইখাতি আৰু ২ নং ছেলাইখাতিৰ দুটাকৈ স্থানত আয়োজন কৰা হয় পথ সুৰক্ষা সজাগতা সভাৰ। ছেলাইখাতি ৰাইজৰ সহযোগত আৰু বিশ্বনাথ জিলা আৰক্ষীৰ উদ্যোগত অনুষ্ঠিত হোৱা এই সজাগতামূলক সভাত তিনি সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। সচৰাচৰ পথ দুৰ্ঘটনাত ল'ব লগীয়া সাৱধানতা আৰু সতৰ্কতা সম্পৰ্কে বিষদভাৱে আলোচনা কৰে জিলা অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অমিত কুমাৰ হোজায়ে। ইয়াৰ উপৰি পথ সুৰক্ষা সজাগতাক লৈ সাংকেতিক চিহ্নৰে ৰাইজক অৱগত কৰে উপ-বালিচাং আৰক্ষী বিষয়া জোনমণি দাসে। সভাৰ শেষত উপস্থিত ৰাইজক লৈ শপত বাক্য কৰোৱা হয়। এই বিশেষ সজাগতামূলক সভাখনক লৈ সদৌ অসম কাৰ্বি ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে ছেলাইখাতি ৰংকেৰ উৎসৱ উদযাপন সমিতিয়ে আৰক্ষীৰ পদক্ষেপক প্ৰশংসা কৰে। দুৰ্ঘটনা ৰোধৰ ক্ষেত্ৰত ৰাইজৰ মাজলৈ অনা এনে ধৰণৰ সজাগতামূলক সভাই ৰাইজক উপকৃত কৰিব বুলি উল্লেখ কৰে ছেলাইখাতিৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহিৰাম ৰংহাঙে।

# নগাঁও জিলাৰ কঠীয়াতলী শিক্ষাখণ্ডত শৈক্ষিক স্খলন, ছাত্ৰ-ছাত্ৰী অনুপাতে নাই শিক্ষক

**ই-সংবাদ, কামপুৰ, ৬ জানুৱাৰীঃ** ছাত্ৰ-ছাত্ৰী অনুপাতে নাই শিক্ষক, নহ'ল পাঠদান। তথাপি কিলৈৰ পৰা আৰম্ভ হ'ব ৰাজ্যত পুনৰ গুণোৎসৱ। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক গুণগত মান নিৰূপনৰ বাবে প্ৰতিবছৰে ৰাজ্যৰ শিক্ষা বিভাগে ৰাজহুৱা শিক্ষাখণ্ডত অনুষ্ঠিত কৰা এই গুণোৎসৱে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক মান নিৰূপন কৰিব পাৰিছে নে নাই এই লৈ শৈক্ষিকমহলত প্ৰশ্নৰ উদয় হৈছে। উল্লেখ্য যে চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ আৰু বিদ্যালয়ৰ আন্তঃগাঁঠনি উন্নয়নৰ বাবে বহু অভিলাষি আঁচনি লৈছে যদিও বিদ্যালয়সমূহত শিক্ষকৰ অভাৱে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকল প্ৰকৃত শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ কৰিছে স্বয়ং শিক্ষকসকলেই। নগাঁও জিলাৰ কঠীয়াতলী শিক্ষাখণ্ডত ভয়াৱহ ৰূপ ধাৰণ কৰিছে শিক্ষকৰ সমস্যাই। শিক্ষাখণ্ডটোৰ ৩০ টা মণ্ডল সমল কেন্দ্ৰৰ ভিতৰত ১৬ টা সমলকেন্দ্ৰৰ প্ৰায় শতাধিক বিদ্যালয়তে শিক্ষকৰ অভাৱ থকা বুলি জানিব পৰা গৈছে। এই বিদ্যালয়সমূহত দুই-তিনি শতাধিক ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে দুজন অথবা তিনিজন শিক্ষকৰে পাঠদান চলি থকাত ব্যাপক সমস্যাত পৰিছে শিক্ষকৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ। জানিব পৰা মতে, চাৰিখন বিদ্যালয়ত বৰ্তমানেও এজনীয়া শিক্ষকৰে পাঠদান চলি আছে। ইফালে, বিদ্যালয়ৰ প্ৰধান শিক্ষকসকল মধ্যাহ্ন ভোজনকে ধৰি বিদ্যালয়লৰ অন্য কৰ্মসূচীত জড়িত থাকিবলগীয়া হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পাঠদানৰ পৰা বিৰত থাকিব লগীয়া হৈছে। উল্লেখ্য যে কঠীয়াতলী শিক্ষাখণ্ডৰ অন্তৰ্গত কচুবাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয় আৰু দক্ষিণ জৰবাগান প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ অভাৱৰ বাবে পাঠদান ব্যাহত হোৱাৰ অভিযোগ উঠিছে। দুয়োখন বিদ্যালয়ে শিক্ষকৰ সমস্যাত পৰিছে। কচুবাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ৩২৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাথোন চাৰিজন শিক্ষকৰে পাঠদান চলাৰ বিপৰীতে দক্ষিণ জৰবাগান প্ৰাথমিক বিদ্যালয়ত দুজন চৰকাৰী শিক্ষক আৰু দুজন টিউটৰ শিক্ষকৰ দ্বাৰা ২৮১ জন ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দি আছে। তদুপৰি বৃহত্তৰ কচুবা অঞ্চলৰ দহখন মজলীয়া বিদ্যালয়ত বিগত দহ বছৰ ধৰি হিন্দী আৰু গণিতৰ শিক্ষক নাই। ২০২১ চনৰ পৰা ভেঞ্চাৰৰ পৰা টিউটৰলৈ উন্নীত হোৱা বিদ্যালয়তো এইবেলি পাতিছে গুণোৎসৱ। এইসমূহ বিদ্যালয়ত ছ-সাতজন শিক্ষকৰ বিপৰীতে তিনি-চাৰিজন আৰু কোনোৱা স্কুলত মাত্ৰ দুজন শিক্ষককহে নিযুক্তি প্ৰদান কৰিছে। তেনে প্ৰকাৰৰ বিদ্যালয়সমূহত পাঠদান হ'ব কৰ পৰা বুলি বহু অভিভাৱকে চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। তথাপি তেনে বিদ্যালয়ত গুণোৎসৱৰ বাবে নিয়োগ কৰা চৰকাৰী বিষয়াসকলক মাছে-মঙহেৰে ভোজ ভাত খুৱাই এ বা বি গ্ৰেড ল'বলৈ উঠি পৰি লগা পৰিলক্ষিত হৈছে। স্মৰ্তব্য যে গুণোৎসৱ চলা দিনকেইটাত কোনো ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত উপস্থিত নাথাকিলে বিদ্যালয়ৰ পৰা নাম কাটি দিয়া হ'ব বুলি বিগত তিনিদিন ধৰি অহৰ্নিহে মাইক যোগে প্ৰচাৰ কৰি থকাটো লক্ষণীয়। মুঠতে পূৰ্বৰ গুণোৎসৱত বিদ্যালয়সমূহৰ আন্তঃগাঁঠনি আৰু বহিঃগাঁঠনিৰ প্ৰতিবেদন চৰকাৰৰ শিক্ষা বিভাগে পায়ো পিছৰ গুণোৎসৱত সেই সমস্য সমাধান নকৰি পুনৰ গুণোৎসৱ জাপি দিয়া কাৰ্যক বহু শিক্ষক তথা সচেতন লোকে সহজভাৱে নলৈ নিন্দা কৰিছে।

# বিশিষ্ট শাস্ত্ৰীয় সংগীত শিল্পী মালা দে'ৰ মৃত্যু

**ই-সংবাদ, ডিব্ৰুগড়, ৬ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ শান্তিপাৰা বাশবাৰী নিবাসী বিশিষ্ট সংগীত শিল্পী, ডিব্ৰুগড়ৰ সাংস্কৃতিক জগতৰ পুৰোধা ব্যক্তি মালা দে'ৰ বাৰ্ধক্যজনিত কাৰণত কালি ৮১ বছৰ বয়সত মৃত্যু হয়। বিশিষ্ট সংগীত শিল্পী মালা দে'ৰ জন্ম হৈছিল গুৱাহাটীত ১৯৪৪ চনৰ ১২ ছেপ্টেম্বৰত। তেওঁৰ পিতৃ আছিল শশাংক শেখৰ সৰকাৰ আৰু মাতৃ আছিল সুহাসিনী সৰকাৰ। মাত্ৰ ১৮ বছৰ বয়সত ডিব্ৰুগড়ৰ এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ী অনিল কুমাৰ দে'ৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। ৩০ বছৰ বয়সৰ পৰা ভাৰতীয় শাস্ত্ৰীয় সংগীত চৰ্চা আৰম্ভ কৰা মালা দে'য়ে তেওঁৰ গুৰু প্ৰহ্লাদ দাসৰ তত্বাবধানত ১৯৭৫ চনত শাস্ত্ৰীয় সংগীতৰ স্নাতক ডিগ্ৰী লাভ কৰে। তেওঁ ডিব্ৰুগড়ৰ আমোলাপট্টিৰ 'সংগীত বিদ্যামন্দিৰ' আৰু 'সদাৰং কলা মন্দিৰ'ৰ দৰে অনুষ্ঠানৰ সৈতে জড়িত হৈ পৰে। মালা দে'ৰ মাৰ্গ দৰ্শনত ২৫০ গৰাকীতকৈও অধিক সংগীত শিল্পীক শাস্ত্ৰীয় সংগীতৰ শিক্ষা দি নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। তেওঁৰ মৃত্যু ডিব্ৰুগড়ৰ লগতে অসমৰ শাস্ত্ৰীয় সংগীত জগতৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ আৰু বোৱাৰীৰ লগতে নাতিসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। আজি স্থানীয় চৌকিদিঙী শ্মশানত তেওঁৰ শেষকৃত সম্পন্ন কৰা হয়।

# চতিয়াত মাঘ বিহুক আদৰাৰ প্ৰস্তুতি তুংগত

**ই-সংবাদ, চতিয়া, ৬ জানুৱাৰীঃ** হেঁপাহৰ ভোগালী বিহুলৈ হাতত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত ভোগালীক আদৰাৰ প্ৰস্তুতি আৰাম্ভ হৈছে বিশ্বনাথ জিলাৰ চতিয়াত। চতিয়াৰ চতিয়াল গাঁৱৰ ৰাইজে পূৰ্বৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি এইবাৰো ভেলাঘৰ নিৰ্মাণৰ কাম হাতত লৈছে। ইয়াৰ অংশ হিচাপেই ৰাইজক ভেলাঘৰ নিৰ্মাণ কাৰ্যত সহায় কৰি দিয়াৰ বাবে গাঁওখনৰ মহিলাসকলে সমূহীয়াভাৱে পথাৰত নৰা কটা কাম আৰাম্ভ কৰিছে। চতিয়াৰ চতিয়াল গাঁৱৰ ভোগজৰা ক্ষেত্ৰত এইবাৰো চিৰদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ভোগালী উৎসৱ। ইয়াৰ বাবেই গাঁওখনৰ মহিলাসকলক পথাৰত নাচিবাগি নাচ-গানৰে আনন্দ মনৰে নৰা কটা দেখিবলৈ পোৱা গৈছে। উল্লেখ্য যে চতিয়াৰ চতিয়াল গাঁৱৰ ৰাইজে প্ৰতিবছৰেই নতুন নতুন ৰূপত ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে নৰাৰে বিভিন্ন মূৰ্তি তৈয়াৰ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

# নগাঁৱত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, পুৰণিগুদাম, ৬ জানুৱাৰীঃ** আগন্তুক ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সন্দৰ্ভত আজি নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰীৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত কৰা হয়। সভাত গণৰাজ্য দিৱস সুচাৰুৰূপে উদযাপনত তথা বিভিন্ন অনুষ্ঠান আয়োজন তথা পৰামৰ্শ সন্দৰ্ভত জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল সৈতে আলোচনা কৰা হয়। অহা ১৮ জানুৱাৰীৰ পৰা আৰক্ষী আৰু বিদ্যালয়- মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কুচকাবাজৰ অনুশীলন আৰম্ভ কৰা হ'ব। আইন শৃংখলাৰ ক্ষেত্ৰত সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই অৱগত কৰে। আগন্তুক গণৰাজ্য দিৱসটি যাতে জিলাখনত শান্তিপূৰ্ণভাৱে উদযাপিত হয় লগতে সকলো বিষয়াই নিজৰ নিজৰ দায়িত্ব সুচাৰুৰূপে সম্পাদন কৰে তাৰ বাবে জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে আন্তৰিকতাৰে আহ্বান জনায়। আজিৰ সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, সমজিলাৰ সম আয়ুক্তসকল, অতিৰিক্ত জিলা আয়ুক্তসকল, আৰক্ষী শীৰ্ষ বিষয়াসকল প্ৰমুখ্যে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, অৰ্ধসামৰিক বাহিনীৰ বিষয়াসকল, নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰতিনিধি, স্বেচ্ছাসেৱী সংগঠন, মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰতিনিধি আৰু জ্যেষ্ঠ নাগৰিক সমিতিৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম সত্ৰ মহাসভাৰ মৈত্ৰী সন্মিলন সম্পন্ন

**ই-সংবাদ, খুমটাই, ৬ জানুৱাৰীঃ** সগৌৰৱেৰে শতবৰ্ষ গৰকা আধ্যাত্মিক, সাংস্কৃতিক, সামাজিক আৰু সম্প্ৰীতিৰ সমন্বয় সাধনৰ মহান লক্ষ্যৰে প্ৰতিষ্ঠা লাভ কৰা অসম সত্ৰ মহাসভাৰ মৈত্ৰী সন্মিলন অনুষ্ঠিত হয়। গোলাঘাট জিলা সত্ৰ মহাসভাৰ উদ্যোগত বেতিয়নি চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত হোৱা মৈত্ৰী সন্মিলনত সত্ৰ মহাসভাৰ ধৰ্ম ধ্বজা উত্তোলন কৰে গোলাঘাট জিলা সত্ৰ মহাসভাৰ উপ-সভাপতি জকাই সত্ৰৰ সত্ৰাধিকাৰ শ্যামন্ত মহন্তই। স্মৃতি তৰ্পণ কৰে উৎযাপন সমিতিৰ সভাপতি প্ৰমোদ বুঢ়াগোহাঁয়ে। গছপুলি ৰোপণ কৰে বিশিষ্ট সমাজকৰ্মী মুনু ভূঞা, মোলাই ভূঞা আৰু জিতেন পাত্ৰই। গছপুলি ৰোপণৰ প্ৰাকমুহূৰ্তত গোলাঘাট জিলা সত্ৰ মহাসভাৰ সাংস্কৃতিক সম্পাদক তথা ন-গোসাঁই সত্ৰৰ অমৃত বল্লভ গোস্বামীয়ে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে তথা জীৱকুল ৰক্ষাৰ বাবে গছৰ উপকাৰিতাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পিছত প্ৰতিযোগিতা উদ্বোধন কৰে মদাৰগুৰি সত্ৰৰ ৰবীন চন্দ্ৰ মহন্তই। চিম্পী ৰবিদাসে উদ্বোধনী হিচাপে সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। ধৰ্ম ধ্বজা উত্তোলন অনুষ্ঠানৰ আঁত ধৰে গোলাঘাট জিলা সত্ৰ মহাসভাৰ কাৰ্যকৰী সভাপতি যোগেন দত্তই, স্মৃতি তৰ্পণ-গছপুলি ৰোপণৰ কাৰ্যসূচীৰ আঁত ধৰে উদযাপন সমিতিৰ সম্পাদক অজিত শইকীয়া। আনহাতে, বৰগীত প্ৰতিযোগিতা, দশ অৱতাৰ, ঝুমুৰ আৰু দিহানাম প্ৰতিযোগিতাৰ আঁত ধৰে জিলা সত্ৰ মহাসভাৰ সম্পাদক ৰাজীৱ বৰুৱাই। কাৰ্যসূচীত বৰগীত, দশাৱতাৰ নৃত্য, ঝুমুৰ আৰু মুকলি দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত গোলাঘাট জিলা সত্ৰ মহাসভাৰ অন্যতম সাংস্কৃতিক সম্পাদক তথা দিহানামৰ এগৰাকী সুদক্ষ শিল্পী শ্ৰীমন্ত তামুলী শইকীয়াক 'দিহা ৰত্ন' বঁটা প্ৰদান কৰা হয়। অসমীয়াৰ অভিন্ন অংগ চাহ মজদুৰসকলৰ সৈতে অনুষ্ঠিত এই মৈত্ৰী সন্মিলনৰ দ্বাৰা সমন্বয়ক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।



অসম সত্ৰ মহাসভাৰ মৈত্ৰী সন্মিলনৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, খুমটাই




শোণিতপুৰত আৰ্চাৰী প্ৰতিযোগিতাৰ এক অনুষ্ঠানত এনেদৰে দেখা গ'ল আঙুৰলতা ডেকাক

## মৰঙীত উন্নয়নমূলক কামৰ শুভাৰম্ভ বিধায়ক শইকীয়াৰ

# সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মৰঙীত মৃণাল শইকীয়াৰ প্ৰথম পদাৰ্পণ

**ই-সংবাদ, খুমটাই, ৬ জানুৱাৰীঃ** সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মৰঙীত উন্নয়নৰ প্ৰথমটো পদক্ষেপ গ্ৰহণ কৰে বিধায়ক মৃণাল শইকীয়াই। পুৱা সাত বজাতেই ৰাইজক লগত লৈ বিধায়কগৰাকীয়ে উদ্বোধন কৰিলে পথ মেৰামতিৰ কাম। প্ৰথমদিনাই দহ কোটি টকাৰ উন্নয়নমূলক কাম শুভাৰম্ভ কৰিলে খুমটাইৰ বিধায়কগৰাকীয়ে। মইনাপাৰাৰ পৰা থুৰামুখ সংযোগী ৩.২ কিলোমিটাৰ আৰু লুৰুকিহাটৰ পৰা শেনচোৰা পথ সংযোগী ৫.২ কিলোমিটাৰ পথ পুনৰ মেৰামতি কামৰ উদ্বোধন কৰে বিধায়কগৰাকীয়ে। উল্লেখ্য যে পূৰ্বতে বৃহত্তৰ মৰঙী মৌজাৰ এঘাৰখনকৈ গাঁও পঞ্চায়ত সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত আছিল। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মৰঙীৰ এঘাৰখন পঞ্চায়তেই খুমটাই বিধানসভা সমষ্টিৰ আওঁতাত সোমাই পৰে। বৃহত্তৰ মৰঙী মৌজাটো খুমটাই বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হোৱাত এতিয়া মৰঙীবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে। বিশেষকৈ বিধায়ক মৃণাল শইকীয়াৰ কাম-কাজক লৈ মৰঙীবাসীয়ে উন্নয়নৰ ক্ষেত্ৰত আশাৰ ৰেঙণি দেখিবলৈ পাইছে।

# খাৰুপেটীয়াত শিক্ষাজগতত নতুনকৈ সংযোজন ৰেডিয়েণ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল

**ই-সংবাদ, খাৰুপেটীয়া, ৬ জানুৱাৰীঃ** দৰং জিলাৰ খাৰুপেটীয়াত নতুনকৈ সংযোজন হ'ল ৰেডিয়েণ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল নামৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়। খাৰুপেটীয়াৰ নিমতলীৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপতে ২০২৫ বৰ্ষৰ নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে পাঠদান দিয়াৰ উদ্দেশ্যেৰে দেওবাৰে খাৰুপেটীয়া টাউনৰ আছাম ক্লাবৰ প্ৰেক্ষাগৃহত আয়োজিত এখনি মুকলি অনুষ্ঠানত আনুষ্ঠানিকভাৱে ঘোষণা কৰে অনুষ্ঠানটোৰ সঞ্চালক তাজুদ্দিন আহমেদে। মুকলি অনুষ্ঠানত সঞ্চালকে ঘোষণা কৰা মতে অতি উন্নত আৰু গুণগত সম্পন্ন শিক্ষকেৰে আৰম্ভ হ'বলগীয়া বিদ্যালয়খনত পৰ্যায়ক্ৰমে হোষ্টেলৰ ব্যৱস্থাও কৰা হ'ব বুলি সঞ্চালকজনে তেওঁৰ ভাষণত উল্লেখ কৰে। ইউ পি এছ চি, এপ এছ চি আদি পাঠ্যক্ৰম সংযোজন কৰা হ'ব বিদ্যালয়খনত। উল্লেখ্য যে দৰং জিলাৰ খাৰুপেটীয়াত ইতিমধ্যে উন্নত মানৰ শিক্ষানুষ্ঠান আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলখনে এই অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত বহুখিনি সকাহ দিছে যদিও আৰু এখন ভাল বিদ্যালয়ৰ অভাৱ আছিল। সেই অভাৱ ৰেডিয়েণ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলখনে পূৰ্ণ কৰিব বুলি আশা প্ৰকাশ কৰে সঞ্চালকে। অনুষ্ঠানত উপস্থিত থাকে তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০



মনোজ কুমাৰ হাজৰিকা, মহেন্দ্ৰ গ্ৰুপ অফ ইনষ্টিটিউটৰ অধ্যক্ষ সঞ্জীৱ দীক্ষিত, মহেন্দ্ৰ গ্ৰুপ অফ ইনষ্টিটিউট নৰ্থ ইষ্ট হেড কণিকা ডেকাৰ লগতে মঙলদৈ, দলগাঁও, খাৰুপেটীয়া আদি বিভিন্ন অঞ্চলৰ পৰা অৱসৰপ্ৰাপ্ত অধ্যাপক নুৰুল ইছলাম, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে আব্দুল আলী, মুক্তাৰুল ইছলাম, নাজিম উদ্দিন আহমেদ, সমাজ সেৱক দেলোৱাৰ হুছেইন, জ্যেষ্ঠ সাংবাদিক ইমদাদুল ইছলাম প্ৰমুখ্যে বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল। উল্লেখ্য যে বিশিষ্ট ব্যক্তি তথা শিক্ষিতসকলৰ সমাগম ঘটা অনুষ্ঠানটো পৰিচালনাৰ ক্ষেত্ৰত সংঘটিত কিছু বিসংগতিয়ে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ পৰিৱেশ বিঘ্নিত কৰে। একেখন আমন্ত্ৰণি পত্ৰৰে আমন্ত্ৰণ জনোৱা উক্ত অনুষ্ঠানত একাংশ অতিথিৰ ক্ষেত্ৰত সম্ভাষণ আৰু সম্বৰ্ধনাত সমভাৱাপন্ন কাৰ্য ৰূপায়ণ নকৰাত একাংশ নমস্য ব্যক্তি লজ্জিত হয়।

## ক্ষতিপূৰণ দিয়াৰ আশ্বাস চাবুৱা-লাহোৱালৰ দুই বিধায়কৰ

# চাবুৱাৰ ডিকম পমাতলি চাহ বাগিছাত শোকাৱহ ঘটনা, ভস্মীভূত এগৰাকী মহিলা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৬ জানুৱাৰীঃ** চাবুৱা থানা আৰু ডিকম আৰক্ষী চকীৰ অন্তৰ্গত ডিকমৰ পমাতলি চাহ বাগিচাত দেওবাৰে নিশা এটা বাসগৃহত সংঘটিত হোৱা এক ভয়াৱহ অগ্নিকাণ্ডৰ ফলত শুই থকা অৱস্থাতে এগৰাকী মহিলা জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক আঁকোৱালি লোৱা খবৰে সমগ্ৰ অঞ্চলজুৰি শোঁকৰ ছা পেলাইছে। নিশা শুই থকা অৱস্থাতে জ্বলি ভস্মীভূত হোৱা মহিলাগৰাকীৰ নাম সুমতি ভূঞা বুলি জানিব পৰা গৈছে। ইফালে, লেলিহান জুইৰ মাজৰ পৰা পত্নীক উদ্ধাৰ কৰিবলৈ গৈ মৃত মহিলাগৰাকীৰ স্বামী সুৰেশ ভূঞাও অগ্নিদগ্ধ হৈ গুৰুতৰভাৱে আহত হ'বলগীয়া হোৱাত নিশাই অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয় বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডৰ খবৰ লাভ কৰাৰ পাছতে অগ্নিনিৰ্বাপক বাহিনীৰ দল কিছু পলমকৈ হ'লেও ঘটনাস্থলীত উপস্থিত হৈছিল যদিও অগ্নিনিৰ্বাপক বাহিনী গৈ উপস্থিত হোৱাৰ পূৰ্বেই ইতিমধ্যে জ্বলি ভস্মীভূত হয় মহিলাগৰাকী। ঘটনাস্থলীত ডিকম আৰু চাবুৱা আৰক্ষী উপস্থিত হৈ অগ্নিকাণ্ড সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। জানিব পৰা অনুসৰি অগ্নিকাণ্ড সংঘটিত হোৱা ঘৰটোত নাছিল কোনো বিদ্যুৎ সংযোগ। ঘৰটোৰ শোৱনি কোঠাত এটা চাকি জ্বলি থকা অৱস্থাত শুই গৈছিল পৰিয়ালটো। ফলত জ্বলাই থোৱা চাকিৰ পৰাই অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ এই ভয়ংকৰ ঘটনাটো সংঘটিত হোৱা বুলি পৰিয়াল লোকে জানিবলৈ দিছে। প্ৰথমাৱস্থাত নিশা কোনো দুষ্কৃতিকাৰীয়ে অগ্নি সংযোগ কৰা বুলি সন্দেহ কৰা হৈছিল যদিও পুৱা স্থানীয় ৰাইজে কৰা অনুসন্ধানত চাকিৰ পৰাই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ কথা পোহৰলৈ আহে। নিশা শুই থকা অৱস্থাতে এগৰাকী মহিলা জ্বলি ভস্মীভূত হোৱা ঘটনাই এতিয়া চাঞ্চল্য সৃষ্টি কৰিছে ডিকমৰ পমাতলি চাহ বাগিচাত। এই ঘটনাক লৈ স্থানীয় ৰাইজে জনোৱা অভিযোগ অনুসৰি বিদ্যুৎ মাচুল দিব নোৱাৰাৰ বাবে কেইটামান দিনৰ পূৰ্বে পোহৰ আৰু শক্তি বিভাগে ঘৰটোৰ পৰা বিদ্যুৎ সংযোগ কাটি দিছিল। তেনেস্থলত মাটিৰ চাকি জ্বলাই নিশা কটাইছিল দুজনীয়া পৰিয়ালটো। কিন্তু নিশা চাকি জ্বলাই শুই যোৱাত চাকিৰ পৰা কাপোৰত অগ্নি সংযোগ হৈ এই শোকাৱহ ঘটনাটো সংঘটিত হোৱা বুলি ঠাৱৰ কৰা হৈছে। অগ্নিকাণ্ডত শোৱনি কোঠাৰ বিছনা আৰু কাপোৰ থকা আনলাডাল সম্পূৰ্ণৰূপে জুইত জাহ যোৱাৰ দৃশ্য পৰিলক্ষিত হোৱাৰ লগতে আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা জুইৰ সূত্ৰপাত হোৱা মাটিৰ চাকিটো উদ্ধাৰ কৰিছে। আনহাতে, এই অতি মৰ্মান্তিক ঘটনাটো সংঘটিত হোৱাৰ পিছতে চাবুৱা-লাহোৱাল সমষ্টিৰ দুই বিধায়ক পোনাকণ বৰুৱা আৰু বিনোদ হাজৰিকাই আজি পুৱা ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে দুৰ্ভগীয়া পৰিয়ালটোক ক্ষতিপূৰণ দিয়াৰ আশ্বাস প্ৰদান কৰাৰ উপৰি সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থকা মৃত মহিলাগৰাকীৰ স্বামী সুৰেশ ভূঞাৰ সম্পূৰ্ণ চিকিৎসাৰ খৰচ বহন কৰাৰ দায়িত্ব লোৱা হ'ব বুলি সংবাদমাধ্যমক জানিবলৈ দিয়ে। প্ৰাথমিক তদন্তত এটা চাকিৰ পৰাই অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি ঠাৱৰ কৰিলেও প্ৰকৃত কাৰণ উদ্ভৱ নোহোৱালৈকে এক উচ্চস্তৰীয় তদন্ত কৰিবলৈ আৰক্ষীক নিৰ্দেশনা প্ৰদান কৰা বুলি জানিব পৰা গৈছে।

# গোলকগঞ্জত সাংবাদিকৰ ধন দাবী

**ই-সংবাদ, গোলকগঞ্জ, ৬ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত কমলাঝাৰ গা বুলি দোষাৰোপ কৰে। তেওঁৰ পৰা আকবৰ আলীয়ে চল্লিশ হাজাৰ টকাঁৰত এজন সাধাৰণ শ্ৰমিকক ব্লেকমেইলিঙেৰে ধন দাবী কৰাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আজি এই সন্দৰ্ভত ভুক্তভোগীয়ে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। অভিযোগ মতে গাঁওখনৰ এক্ৰামূল হক প্ৰতিদিনৰ দৰে কামৰ উদ্দেশ্যে কাষৰে বাসবাৰী লৈ গৈ আছিল। পথত সন্দেহজনক চাৰিটা গৰু প্ৰত্যক্ষ কৰি একে গাঁৱৰে নিউজ ছেভেন লাইভ নামৰ প'ৰ্টেল চেনেলৰ সাংবাদিক আকবৰ আলীক খবৰ দিয়ে। খবৰ পাই কেইজনমান সাংবাদিক ঘটনাস্থলীত উপস্থিত হৈ গৰুকেইটা নাপাই তেওঁকে গৰুৰ অবৈধ চোৰাং ব্যৱসায়ী দাবী কৰে অন্যথা সাংবাদিকৰ এটা দলে নিউজ কৰিব আৰু নিউজ হলে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব বুলি ভাবুকি দিয়ে। এনেকৈ প্ৰতিদিন আকবৰে এক্ৰামূল আৰু তেওঁৰ পত্নীক ফোন কৰি ধন দাবী কৰি ব্যতিব্যস্ত কৰি তোলে। তেওঁক সহযোগ কৰে আমিনুৰ নামৰ আন এজন প'ৰ্টেল সাংবাদিকে। চল্লিশৰ পৰা ত্ৰিশ আৰু পিছত দাবীৰ ধন পোন্ধৰ হাজাৰলৈ কমাই আনে। এক্ৰামূলৰ পত্নী দহ হাজাৰ দিব বিচাৰে যদিও আকবৰ অসন্মতি প্ৰকাশ কৰে। অৱশেষত উপায়ন্তৰ হৈ এক্ৰামূলে আজি গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে একাংশ সাংবাদিকে অঞ্চলটোত হকে-বিহকে ধন দাবী কৰি সাধাৰণ ৰাইজক নিৰ্যাতন চলাই আহিছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# আগমনিত পথ দুৰ্ঘটনাত আহত যুৱক

**ই-সংবাদ, গোলকগঞ্জ, ৬ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত গোহাঁই কমল আলীৰ অভাৰ ব্ৰিজৰ সমীপত আজি বিয়লি সংঘটিত পথ দুৰ্ঘটনাত এজন যুৱক গুৰুতৰভাৱে আহত হয়। আহত যুৱকজন কালডোবা প্ৰথম খণ্ড গাঁৱৰ মেহেৰ আলীৰ পুত্ৰ নুৰ হুছেইন সৰকাৰ। জানিব পৰা মতে, যুৱকজনে আগমনিৰ পৰা কালডোবা অভিমুখে AS-17 K-5929 নম্বৰৰ পালছাৰ বাইকেৰে গৈ থকা অৱস্থাত যান-জঁটৰ বাবে ছিটিকি পৰে। পথৰ কাষৰ ড্ৰেইনত খুন্দা খাই গুৰুতৰভাৱে আহত হয় যুৱকজন। ততালিকে স্থানীয় ৰাইজে যুৱকজনক আগমনি সমূহীয়া স্বাস্থ্য কেন্দ্ৰ লৈ নিয়ে। অৱস্থা সংকটজনক হোৱাত যুৱকজনক উন্নত চিকিৎসাৰ বাবে পশ্চিমবংগৰ কোচবিহাৰৰ ব্যক্তিগত নাৰ্চিংহোম লৈ যায়।

# পৰ্বতঝোৰা মহকুমা প্ৰশাসনৰ উদ্যোগত ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰস্তুতি সভাৰ আয়োজন

**ই-সংবাদ, পৰ্বতঝোৰা, ৬ জানুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমা আয়ুক্ত দেৱজ্যোতি গগৈৰ উদ্যোগত আগন্তুক ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে আজি আবেলি ১ মান বজাত পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও কাৰ্যালয় প্ৰেক্ষাগৃহত আগন্তুক গণৰাজ্য দিৱস উপলক্ষে এখন প্ৰস্তুতি সভাৰ আয়োজন কৰা হয়। মহকুমা আয়ুক্ত দেৱজ্যোতি গগৈৰ সভাপতিত্বত অহা ২৬ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা গণৰাজ্য দিৱস উপলক্ষে বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীক লৈ আয়োজন কৰা প্ৰস্তুতি সভাখনত মহকুমা আয়ুক্ত দেৱজ্যোতি গগৈয়ে বিস্তৃতভাৱে আলোকপাত কৰে। লগতে কেনেধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰিব তাকে লৈ বিস্তৃতভাৱে বিষয়া-কৰ্মচাৰী, বিভিন্ন সংগঠনৰ বিষয়ববীয়াসকলৰ লগত আলোচনা কৰে। আজিৰ কাৰ্যসূচীত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# বি এছ যুৱ সংঘৰ পঞ্চম বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, শিমলীতোলা, ৬ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ছয়সীমানা কদমতোলা বজাৰত বি এছ যুৱ সংঘৰ সৌজন্যত এফ এ আহমেদ এম ই স্কুল খেলপথাৰত দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হোৱা পঞ্চম বাৰ্ষিক অধিৱেশনৰ দোবাৰে অন্ত পৰে। প্ৰথম দিনাৰ কাৰ্যসূচী পতাকা উত্তোলনেৰে আৰম্ভ কৰি প্ৰত্যেক দিনতে বিভিন্ন কাৰ্যসূচী সমাজ সেৱা, গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান ইত্যাদি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰে। অন্তিম দিনা আবেলি ৩ বজাত মন্দিয়া ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি মিজানুৰ ৰহমানৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে পূৱ গোৱালপাৰা সমষ্টিৰ বিধায়ক এ কে ৰশিদ আলম, বসন্তপুৰ আঃ হাই স্কুল পৰিচালনা সমিতিৰ সভাপতি ছকমান আলীৰ উদ্বোধনী ভাষণেৰে আৰম্ভ কৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মোঃ বফিকুল ইছলাম (Adv. Guwahati High Court, Chairman and CEO of True Help Charitable Trust and Alolee Tech Ltd), আঃ মজিদ (Managing Director New North East Marketing Agency) অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ তথা অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ উপ-সভাপতি ৰাকেশ চক্ৰৱৰ্তীৰ লগতে ভালেসংখ্যক বিশিষ্ট অতিথি তথা নিৰ্দিষ্ট বক্তা।

# ধূপধৰাত আছুৰ দিবা-নৈশ ক্ৰিকেট টুৰ্ণামেণ্ট মুকলি সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেৰ

**ই-সংবাদ, ধূপধৰা, ৬ জানুৱাৰীঃ** ধূপধৰা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত পাঁচ জানুৱাৰীৰ নিশাৰ পৰা দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ধূপধৰা ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত ক্ৰিকেট প্ৰতিযোগিতাখন সন্ধিয়া আঠ বজাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেই। উদ্বোধনী অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক অভিজিত নাথ, গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ সম্পাদক কুকিল দাস, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভা প্ৰমুখ্যে কে'বাগৰাকী ছাত্ৰনেতা আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে উদ্বোধনী অনুষ্ঠানত জনপ্ৰিয় ইউটিউবাৰ বিকাশ ছেত্ৰী উপস্থিত থাকি উদ্বোধনী খেলখনত অংশগ্ৰহণো কৰে। প্ৰতিযোগিতাখনৰ চেম্পিয়ন দলটোয়ে ট্ৰফীসহ নগদ ত্ৰিশ হাজাৰ টকা আৰু ৰাণাৰ্ছ আপ দলে ট্ৰফীসহ নগদ বিশ হেজাৰ টকা লাভ কৰিব। ইয়াৰ উপৰিও প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈগৰাকীক এখন বাইচাইকেল আৰু চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈগৰাকীক এটা স্মাৰ্টফোন আগবঢ়োৱা হ'ব বুলি উদ্যোক্তসকলে জনাইছে।

# দলগাঁৱত বিবিএলৰ খেলুৱৈ নিলাম সম্পন্ন

**ই-সংবাদ, দলগাওঁ, ৬ জানুৱাৰীঃ** আইপিএলৰ আৰ্হিত দলগাঁৱৰ ১/২ বৰুৱাঝাৰত অনুষ্ঠিত হ'ব বৰুৱাঝাৰ প্ৰিমিয়াৰ লীগ চমুকৈ বিপিএল। অহা ১০ তাৰিখৰ পৰা অনুষ্ঠিত হ'বলগীয়া তিনিদিনীয়া খেলখনৰ বাবে যোৱা নিশা নিলাম সম্পন্ন হয়। মুঠ ৫ টি দলে অংশ লোৱা খেলখনত আইপিএলৰ আৰ্হিতেই নিলামযোগে খেলুৱৈ ক্ৰয় কৰে দলসমূহে। জ্ঞানোদয় ৰাইজিং ষ্টাৰ, এপিজে ৱাৰিৰ্ৰ্চ, এলাইট একাদশ, আৰডিএক্স একাদশ আৰু মাহিন একাদশে ১৩ জনকৈ খেলুৱৈ ক্ৰয় কৰে। উল্লেখ্য যে, উক্ত খেলত অংশ ল'বলৈ প্ৰায় তিনি শতাধিক খেলুৱৈয়ে নিলামৰ বাবে পঞ্জীয়ন কৰিছিল। সৰ্বনিম্ন ৫০ টকাৰ পৰা সৰ্বাধিক ৩০০০ টকাৰ ভিতৰত খেলুৱৈৰ নিলাম সম্পন্ন হোৱা বুলি আয়োজক বৰুৱাঝাৰ স্প'ৰ্টচ এছ'চিয়েছনৰ সভাপতি, সম্পাদক ক্ৰমে মহিদুল ইছলাম আৰু জাহানুল হকে জানিবলৈ দিয়ে।



আফগানিস্তানৰ বিৰুদ্ধে বুলাৱায়ুত চলি থকা দ্বিতীয় টেষ্টত জিম্বাব'বেৰ চিকন্দৰ ৰাজাৰ দৰ্শনীয় শ্বট

## মিৰ্জাত আন্তঃজিলা জুনিয়ৰ খো-খো প্ৰতিযোগিতাৰ সামৰণি

# চমকপ্ৰদ প্ৰদৰ্শনেৰে বিজয়ৰ খিতাপ তামুলপুৰৰ

**ই-সংবাদ, মিৰ্জা, ৬ জানুৱাৰীঃ** অসম খো-খো সন্থাৰ তত্বাৱধানত কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত, দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ উদ্যোগত ২২ সংখ্যক সদৌ অসম আন্তঃজিলা জুনিয়ৰ (ল'ৰা-ছোৱালী) খো-খো প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। দক্ষিণ কামৰূপৰ মিৰ্জাস্থিত গ্ৰাম্য ষ্টেডিয়াম ক্ৰীড়া প্ৰকল্প ফিল্ডত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনি যোৱাকালি দেওবাৰে অন্ত পৰে। উক্ত প্ৰতিযোগিতাখনত ল'ৰাৰ শাখাত ফাইনেল খেলখন তামুলপুৰ জিলাৰ দল বনাম ডিব্ৰুগড় জিলাৰ দলৰ মাজত অনুষ্ঠিত হয়। ফাইনেল খেলখনত তামুলপুৰ জিলাৰ দলে বিজয় সাব্যস্ত কৰে। দ্বিতীয় স্থান দখল কৰে ডিব্ৰুগড় জিলাৰ দলে আৰু তৃতীয় স্থান দখল কৰে দক্ষিণ কামৰূপ জিলাৰ দলে। শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় তামুলপুৰ জিলা দলৰ পবিন সূত্ৰধৰ। ল'ৰাৰ শাখাৰ খো-খো ফাইনেল খেলখন উদ্বোধন কৰে প্ৰাক্তন খেলুৱৈ আৰু বিশিষ্ট সমাজ সেৱক তপন মালীয়ে। ছোৱালী শাখাৰ ফাইনেল খেলখন তামুলপুৰ জিলাৰ দল বনাম ডিব্ৰুগড় জিলাৰ দলৰ মাজত অনুষ্ঠিত হয়। এই খেলখনতো বিজয়ীৰ খিতাপ দখল কৰিবলৈ সক্ষম হয় তামুলপুৰ জিলাৰ দলে। আনহাতে দ্বিতীয় স্থান দখল কৰে ডিব্ৰুগড় জিলাৰ দলে আৰু তৃতীয় স্থান দক্ষিণ কামৰূপ জিলাৰ দলে দখল কৰে। শ্ৰেষ্ঠ খেলুৱৈ হিচাপে তামুলপুৰ জিলা দলৰ ৰিম্পী হীৰা বিবেচিত হয়। ছোৱালী শাখাৰ ফাইনেল খেলখন উদ্বোধন কৰে অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক হিমাংশু শেখৰ বৈশ্যই। সামৰণি অনুষ্ঠানৰ লগতে বঁটা বিতৰণী সভাত উপস্থিত থাকে উদযাপন সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়া, কাৰ্যকৰী সভাপতি নাৰায়ণ চৌধুৰী, সাধাৰণ সম্পাদকদ্বয় ৰাঘৱ কুমাৰ দাস, পংকজ কুমাৰ দাস, অসম জাতীয় পৰিষদৰ যুটীয়া সম্পাদক পংকজ লোচন গোস্বামীৰ লগতে কুশল মালাকাৰ, প্ৰবিন চন্দ্ৰ দাস, অনুপ কুমাৰ মেধিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। সামৰণি সংগীতানুষ্ঠানত গীত-মাত পৰিৱেশন কৰে সংগীত শিল্পী দীপ দৰ্শনে।

# উত্তৰ লখিমপুৰত ক্ৰীড়া প্ৰতিযোগিতা

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ৬ জানুৱাৰীঃ** ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত ৰামধেনু স্পৰ্টচ ক্লাব আৰু লাইমেকুৰী ইউথ ক্লাবৰ সহযোগত যোৱা ইংৰাজী ৪ আৰু ৫ জানুৱাৰী তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে লীলাবাৰীস্থিত নৰোজ্জল হাইস্কুল খেলপথাৰ আৰু চাবতি খেলপথাৰত "ব্লক লেভেল স্পৰ্টছ মীট" শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ বিতু গগৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে নৰোজ্জল হাইস্কুলৰ প্ৰধান শিক্ষক সঞ্জীৱ উপাধ্যায়ে। এই অনুষ্ঠানটিৰ সৈতে সংগতি ৰাখি স্থানীয় যুৱক-যুৱতীসকলৰ মাজত ভলীবল, কাবাডী, বেডমিণ্টন, দৌৰ, ৰছী টনা, দীঘল জাপ আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। উত্তৰ নেহৰু যুৱ কেন্দ্ৰ ৰূপম জ্যোতি চেতিয়া, নৱজ্যোতি বৰাই উক্ত অনুষ্ঠানত উপস্থিত হৈ প্ৰতিযোগীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা উক্ত খেলখনিৰ শেষত বঁটা বিতৰণৰ কাৰ্যসূচী হাতত লোৱা হয়। সদৌ শেষত খেলখনি উপভোগ কৰা স্থানীয় ক্ৰীড়াপ্ৰেমীসকলে উদ্যোক্তা মণ্ডলীক ভূয়সী প্ৰশংসা কৰে আৰু এনেধৰণৰ খেল আয়োজনৰ জৰিয়তে যুৱক-যুৱতীসকলৰ শাৰীৰিক, বৌদ্ধিক, মানসিক আদি সকলো দিশতে বিকাশ ঘটায় বুলি সকলোৱে বক্তব্য প্ৰদান কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ডঃ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি